সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ, ৪৮ সংখ্যা, ১৩ আঘোণ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 48 Date of Publication- 30 November 2025 Rs. 10.00/-

## সদনত দাখিল হ'ল বহুচৰ্চিত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ মন্ত্ৰীগোটৰ প্ৰতিবেদন



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনজাতিকৰণৰ দাবীৰে চলি থকা আন্দোলনৰ মাজতে অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ অন্তিম দিনটোত জনজাতিকৰণৰ পথ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ তৎপৰতাত প্ৰশস্ত হৈ পৰিল। মন্ত্ৰীগোটৰ অধ্যক্ষ জনজাতি পৰিক্ৰমা (ভৈয়াম) সদনৰ মজিয়াত ৰাজ্য চৰকাৰৰ মন্ত্ৰীগোটে আনুষ্ঠানিকভাৱে দাখিল কৰে ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় প্ৰতিবেদন। ইয়াৰ লগে লগে আহোম, মৰাণ, মটক, চুতীয়া, কোচ ৰাজবংশী আৰু আদিবাসী-চাহ জনগোষ্ঠীৰ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সদনত দাখিল কৰে মন্ত্ৰীগোটৰ প্ৰতিবেদন। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সদনত 'ৰিপ'ৰ্টছ অব দ্য কমিটী অব গ্ৰুপ অব মিনিষ্টাৰ্ছ টু এগজামিন এণ্ড ছাজেষ্ট অন দ্য ডিফাৰেন্ট এছপেক্টছ অব ৰিজাৰ্ভেচন অব ছিক্স কমিউনিটিজ ইন দ্য ষ্টেট' শীৰ্ষক প্ৰতিবেদনখনত ৬ জনগোষ্ঠীৰ জনজাতিকৰণক লৈ কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়োৱা হৈছে। ইয়াৰে প্ৰধান আৰু একমাত্ৰ পৰামৰ্শটোৰে হ'ল বৰ্তমানে জনজাতিৰ সুবিধা ভোগ কৰি থকা জনগোষ্ঠীসমূহৰ ক্ষতি নোহোৱাকৈ ৬ জনগোষ্ঠীক কাৰ্যতঃ অনুৰূপ ধৰণে উপকৃত কৰা। ইয়াৰ বাবে জনজাতিৰ ক্ষেত্ৰত প্ৰচলিত 'ভৈয়াম' আৰু 'পাহাৰীয়া' শ্ৰেণীৰ লগতে সংযোজন ঘটোৱা হৈছে 'উপত্যকা'ৰ। তদুপৰি ৬ জনগোষ্ঠীক এই শ্ৰেণীত অন্তৰ্ভুক্ত কৰাবলৈ মন্ত্ৰীগোটে দুটা শাখাত বিভক্ত কৰাৰ প্ৰস্তাৱ দিছে। সেই অনুসৰি আহোম, চুতীয়া, চাহ জনগোষ্ঠী-আদিবাসী আৰু অবিভক্ত গোৱালপাৰা জিলাৰ কোচ ৰাজবংশী জনগোষ্ঠী অনুসূচিত জনজাতি (উপত্যকা)ত অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে মৰাণ, মটক আৰু অবিভক্ত গোৱালপাৰা জিলাৰ বাহিৰৰ কোচ ৰাজবংশীসকলক অনুসূচিত জনজাতি (ভৈয়াম) ৰ মৰ্যাদা প্ৰদানৰ ব্যৱস্থা ৰাখিছে মন্ত্ৰীগোটে। অৱশ্যে, অবিভক্ত গোৱালপাৰা জিলাৰ কোচ ৰাজবংশী জনগোষ্ঠীক অনুসূচিত জনজাতি (ভৈয়াম)ৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত বড়োলেণ্ড প্ৰাদেশীয় পৰিষদ চমুকৈ বিটিচিৰ আপত্তি-বিহীনতাৰ প্ৰমাণ-পত্ৰ (এনঅ'চি) প্ৰয়োজনীয়তাৰ কথাও প্ৰতিবেদনত স্পষ্টভাৱে উল্লেখ কৰিছে। মন্ত্ৰীগোটে এইক্ষেত্ৰত জনগাঁথনিমূলক চাৰিত্ৰিক বৈশিষ্ট, অঞ্চলভিত্তিক চিনাক্তকৰণ আদিৰ ক্ষেত্ৰত সামাজিক সংগঠনৰে আলোচনাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। প্ৰতিবেদনত এটা কথা স্পষ্ট কৰি দিয়া হৈছে যে

( দুই পৃষ্ঠাত চাওক)

## নগাঁৱৰ লুটুমাৰী সংৰক্ষিত বনাঞ্চলত প্ৰশাসনৰ উচ্ছেদ অভিযান



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত অব্যাহত আছে প্ৰশাসনৰ উচ্ছেদ অভিযান। অবৈধভাৱে দখল কৰি ৰখা ভূমি বেদখলকাৰীৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে বিগত সময়ছোৱাত ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰশাসনে উচ্ছেদ অভিযান চলাইছে। এই উচ্ছেদ অভিযান অব্যাহত ৰাখি নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কচুৱাৰ লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ বেদখলীকৃত ভূমিত নগাঁও জিলা প্ৰশাসনে বৃহৎ উচ্ছেদ অভিযান চলায়। বনাঞ্চলখনৰ ৫, ৯৬২ বিঘা ভূমিত সন্দেহজনক লোকে দীৰ্ঘদিন ধৰি বেদখল কৰি বসবাস কৰি আহিছিল। শনিবাৰে পুৱা ৮ বজাৰ পৰা নগাঁও জিলা প্ৰশাসনে আৰক্ষী আৰু বন বিভাগৰ সহযোগত

( দুই পৃষ্ঠাত চাওক)

## মহানগৰীৰ হেঙেৰাবাৰীত অগ্নিদগ্ধ হৈ ৯০ বছৰীয়া বৃদ্ধৰ মৃত্যু



ৰঙিলী বাৰ্ত্তাসেৱা- হেঙেৰাবাৰীত সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। এই ভয়ংকৰ অগ্নিকাণ্ডত জীৱন্তে অগ্নিদগ্ধ হৈ কৰুণ মৃত্যুক সাৱটি ল'লে এজন বৃদ্ধই । শনিবাৰে দুপৰীয়া মহানগৰীৰ হেঙেৰাবাৰীৰ কালী মন্দিৰৰ সমীপৰ অৰুণোদয় পথৰ ৪২৭নং গৃহত সংঘটিত হয় এই ভয়াৱহ অগ্নিকাণ্ডটো। এই ভয়াৱহ অগ্নিকাণ্ডত নিহত হোৱা লোকজন ৮৯ বছৰীয়া ধৰ্মেশ্বৰ বণিয়া বুলি চিনাক্ত কৰা হৈছে । জানিব পৰা মতে, দিনৰ ৰ বজাত সংঘটিত হয় এই অগ্নিকাণ্ডটো। ৰীণা ৰয় খাটনিয়াৰৰ ঘৰত বিগত এবছৰ ধৰি ভাৰাতীয়া হিচাপে আছিল ধেমাজিৰ গোগামুখৰ অঞ্জনা বণিয়া নামৰ মহিলাগৰাকী। পুত্ৰ আৰু সন্তানৰ সৈতে ভাৰাঘৰটোত থকা অঞ্জনা

( দুই পৃষ্ঠাত চাওক)

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতাৰে বিটিচিত উত্তাল প্ৰতিবাদ



ৰঙিলী বাৰ্ত্তাসেৱা- ছয় জনগোষ্ঠীক জনজাতিকৰণৰ বিৰোধিতাৰে শনিবাৰে বড়োভূমিৰ সদৰ কোকৰাঝাৰত ভয়ংকৰ পৰিস্থিতি। শনিবাৰে অসম বিধানসভাত ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটৰ প্ৰতিবেদন দাখিল কৰাৰ প্ৰাকমুহূৰ্তত কোকৰাঝাৰত জনজাতীয় ছাত্ৰ বিদ্ৰোহে ভয়ংকৰ ৰূপ ধাৰণ কৰে। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধাচৰণ কৰি জনজাতীয় ছাত্ৰ সমাজে বিটিচি পৰিষদীয় ভৱনৰ সদন ক্ষেত্ৰত প্ৰৱেশ কৰি চেয়াৰ-টেবুল, আচবাব, টিভি ভাঙি লণ্ডভণ্ড কৰে। জনজাতীয় ছাত্ৰ সমাজে ষষ্ঠ অনুসুচীৰ বিধান পৰিষদীয় সদনত অৰ্থাৎ বিধানপালিকাত প্ৰৱেশ কৰি সদন লণ্ডভণ্ড কৰা কাৰ্যত ৰাজ্যত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটে

( তিনিপৃষ্ঠাত চাওক)

# আজি ৰাঁচীত ভাৰত-দক্ষিণ আফ্ৰিকাৰ মাজত প্ৰথমখন এদিনীয়া



ৰঙিলী বাৰ্ত্তাসেৱা- ঘৰুৱা দল ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া মেচৰ শৃংখলাটোৰ প্ৰথমখন মেচ আজি ৰাঁচীত অনুষ্ঠিত হ'ব। স্থায়ী অধিনায়ক শুভমন গিলৰ অনুপস্থিতিত শৃংখলাটোত ভাৰতীয় দলটোক নেতৃত্ব দিব লোকেশ ৰাহুলে। প্ৰটিয়াজ বাহিনীৰ হাতত টেষ্ট শৃংখলাত শোচনীয় পৰাজয়ৰ পিছত ভাৰতীয় দলটোৰ বাবে এদিনীয়া শৃংখলাটো অধিক গুৰুত্ব হিচাপে বিবেচিত হৈছে। দুই জ্যেষ্ঠ তাৰকা খেলুৱৈ ৰোহিত শৰ্মা আৰু বিৰাট কোহলিৰ প্ৰত্যাৱৰ্তনে এদিনীয়া শৃংখলাটোত ভাৰতীয় দলটোৰ মনোবল বহুখিনি বৃদ্ধি কৰি তুলিব। শৃংখলাটোত ৰোহিত আৰু কোহলিৰ ওপৰত সকলোৱে (দহ পৃষ্ঠাত চাওক)

# মহানগৰীৰ হেঙেৰাবাৰীত

বণিয়াই তিনি মাহ পূৰ্বে চিকিৎসাজনিত কাৰণত পিতৃ ধৰ্মেশ্বৰ বণিয়াক নিজৰ ভাৰাঘৰলৈ আনিছিল। এটা বেচৰকাৰী অনুষ্ঠানত কৰ্মৰত মহিলাগৰাকীয়ে ঘৰত নথকাৰ সময়ত কোঠাত বাহিৰৰ পৰা তলা মাৰি থৈ যায় পক্ষাঘাতগ্ৰস্ত বৃদ্ধ পিতৃক। অসুস্থতাৰ বাবেই চিৰদিনে শয্যাশায়ী হৈ থকা ধৰ্মেশ্বৰ বণিয়াক আনদিনাৰ দৰে শনিবাৰেও ভাৰাঘৰত এটা কোঠালিত তলা মাৰি কাৰ্যালয়লৈ গৈছিল অঞ্জনা বণিয়াই। কিন্তু দুৰ্ভাগ্যবশতঃ বৃদ্ধগৰাকী থকা কোঠাটোত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। সেই সময়ছোৱাত চৌহদটোত ভাৰাঘৰৰ স্বত্বাধিকাৰী ৰীণা ৰয় খাটনিয়াৰো উপস্থিত নাছিল। দিনৰ প্ৰায় ১ বজাত পুত্ৰসহ নিজৰ ঘৰত আহি উপস্থিত হোৱা ৰীণা ৰয় খাটনিয়াৰে ভাৰাঘৰত অগ্নিকাণ্ড হোৱা প্ৰত্যক্ষ কৰি চিঞৰ-বাখৰ লগোৱাৰ লগতে নিজাকৈ জুই প্ৰশমিত কৰাৰ চেষ্টাও কৰে। কিন্তু ইতিমধ্যে ভাৰাঘৰটোৰ ভিতৰত থকা ৰন্ধন গেছৰ চিলিণ্ডাৰো বিস্ফোৰিত হোৱাত জুই অধিক ভয়ানক হৈ পৰে। লগে লগে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত কেইবাখনো গাড়ীয়ে আহি প্ৰায় এঘণ্টাজুৰি চেষ্টা চলাই অগ্নি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। কিন্তু ভয়ানক অগ্নিকাণ্ডটোত জ্বলি ছাই হৈ যায় বৃদ্ধ ধৰ্মেশ্বৰ বণিয়াৰ শৰীৰ। ইয়াৰ বাদেও ভয়ংকৰ অগ্নিকাণ্ডটোত ভাৰাঘৰৰ মালিকৰ চাৰিচকীয়া বাহন এখনৰ লগতে দুখনকৈ দুচকীয়া বাহনো জ্বলি ভস্মীভূত হয়। অগ্নিকাণ্ডটোৰ প্ৰকৃত কাৰণ পোহৰলৈ অহা নাই যদিও ভাৰাঘৰটোৰ ভিতৰত থকা প্ৰাৰ্থনাগৃহত জ্বলোৱা বন্তিৰ পৰা নিৰ্গত হোৱা অগ্নিৰ পৰাই গেছৰ চিলিণ্ডাৰৰ সংস্পৰ্শলৈ আহি ভয়ংকৰ অগ্নিকাণ্ডটো সংঘটিত হোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজ তথা অগ্নিনিৰ্বাপণ বাহিনীয়ে।

# দ্বিতীয় নৰ্থ-ইষ্ট পেৰা স্প'ৰ্টছ মীটৰ সফল সামৰণি



ৰঙিলী বাৰ্ত্তাসেৱা- বৰ্ণাঢ্য কাৰ্যসূচীৰে শনিবাৰে সামৰণি পৰিল গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় নৰ্থ-ইষ্ট পেৰা স্প'ৰ্টছ মীটৰ। উদয়াচলৰ উদ্যোগত পেৰা অলিম্পিক কমিটী অৱ ইণ্ডিয়াৰ অধীনত তথা পেৰা অলিম্পিক এছ'চিয়েচন অৱ আছামৰ সহযোগত ২৭ নৱেম্বৰৰ পৰা মহানগৰীৰ তিনিটা ভেন্যুত অনুষ্ঠিত হৈছিল বিশেষভাৱে সক্ষম ল'ৰা-ছোৱালীৰ বাবে আয়োজিত প্ৰতিযোগিতাখন। উল্লেখ্য যে উত্তৰ-পূৰ্বাঞ্চলৰ ৭খন ৰাজ্যৰ ৭০০ৰো অধিক বিশেষভাৱে সক্ষম খেলুৱৈয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাখন দ্বিতীয়বাৰৰ বাবে গুৱাহাটীত অনুষ্ঠিত হৈছিল। পেৰা স্প'ৰ্টছৰ মুঠ ছটা শিতান ক্ৰমে এথলেটিকছ, বেডমিন্টন, বোচ্চিয়া, দবা, সাতোঁৰ আৰু টেবুল টেনিছত পেৰা এথলীটসকলে অংশগ্ৰহণ কৰে। স্প'ৰ্টছ মীটখন ২৭ নৱেম্বৰৰ পৰা সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা স্প'ৰ্টছ কমপ্লেক্স, আমিনগাঁৱৰ বন্দ্যা ইণ্টাৰনেচনেল স্কুল আৰু পাণ্ডুৰ উদয়াচলত অনুষ্ঠিত হৈছিল। এইবাৰ প্ৰতিযোগিতাৰ সৰ্বাধিক ৫৩টা স্বৰ্ণপদকসহ মুঠ ১৫২টা পদকেৰে অসম দল বিজয়ী হিচাপে ঘোষণাৰ হোৱাৰ লগতে ৮৪টা পদক লাভ কৰা অৰুণাচল প্ৰদেশ ৰানাৰ্ছআপ হিচাপে বিবেচিত হয়। অসম দলে ৫৩টা সোণৰ পদকৰ লগতে ৫০টা ৰূপ, ৪৯টা ব্ৰঞ্জৰ পদক লাভ কৰে। একেদৰে ৰানাৰ্ছআপ দল অৰুণাচল প্ৰদেশে ২৩টা স্বৰ্ণ পদক, ৩১টা ৰূপ আৰু ৩০টা ব্ৰঞ্জৰ পদক লাভ কৰে। একেদৰে মণিপুৰ দলে ৮টা সোণৰ আৰু তিনিটা ব্ৰঞ্জৰ পদকত ক্ষান্ত থাকিবলগীয়া হয়। নাগালেণ্ডে আৰু মিজোৰামে এটাও পদক জয় কৰিবলৈ সক্ষম নোহোৱাৰ লগতে ছিকিমে এটা সোণ, এটা ৰূপ আৰু ৬টা ব্ৰঞ্জৰ পদক লাভ কৰে। ত্ৰিপুৰা দলে ১০টা ‘সোণ, ১২টা ৰূপ আৰু ৯টা ব্ৰঞ্জৰ পদক লাভ কৰে। বিজয়ী দল অসমক সামৰণী অনুষ্ঠানত বিজয়ী ট্ৰফী প্ৰদান কৰে পেৰা অলিম্পিক কমিটী অৱ ইণ্ডিয়াৰ কোষাধ্যক্ষ সুনীল প্ৰধান, আছাম পেট্ৰ'কেমিকেল্ছৰ লিমিটেডৰ স্বতন্ত্ৰ সঞ্চালক জিতু তালুকদাৰকে প্ৰমুখ্যে কৰি বিশিষ্ট ব্যক্তিসকলে।

# নগাঁৱৰ লুটুমাৰী সংৰক্ষিত

এই উচ্ছেদ অভিযান চলায়। এই অভিযান অসমৰ অন্যতম বৃহৎ উচ্ছেদ অভিযান হিচাপে চিহ্নিত হৈছে। বনাঞ্চলখনৰ এই ৫, ৯৬২ বিঘা ভূমি কান্দাপাৰা, চানখোলা, মাজগাঁও, কদমনি, বেদেৰিপাৰ জুৰিৰপাৰ আৰু নিম বাগান অঞ্চলত বেদখল হৈছিল। নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ তত্ত্বাৱধানত আৰক্ষী আৰু বন বিভাগৰ সহযোগত চাৰিটা অস্থায়ী শিবিৰত বাহৰ পাতি থকা পাঁচ হাজাৰ আৰক্ষী জোৱানে এই অভিযান চলায়। আয়ুক্তগৰাকীয়ে জনোৱা মতে, ২০২৫ চনৰ ১৮ আগষ্টৰ গুৱাহাটী উচ্চন্যায়ালয়ৰ নিৰ্দেশ কঠোৰভাৱে পালন কৰি এই অভিযান চলোৱা হৈছে। বছৰ বছৰ ধৰি বেদখল হৈ থকা বনাঞ্চলখনৰ ৫, ৯৬২ বিঘা ভূমি খালী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বেদখলীকৃত এই বৃহৎ ভূমিৰ ১, ৫৪৮ বিঘা ভূমি লুটুমাৰীত থকাৰ বিপৰীতে বাকীখিনি কান্দাপাৰা, চানখোলা, বেদেৰিপাৰ, জুৰিৰপাৰ, কদমনি, মাজগাঁও, নিমবাগান আদিলৈ বিস্তৃত হৈ আছে। লুটুমাৰী সংৰক্ষিত বনাঞ্চলখনত অবৈধভাৱে বসবাস কৰা প্ৰায় ১, ৫০০ পৰিয়ালৰ ৭০ শতাংশতকৈ অধিক পৰিয়ালে স্বেচ্ছাই নিজৰ ঘৰ ভাঙি নিৰ্ধাৰিত উচ্ছেদৰ পূৰ্বে মাটি খালী কৰি দিছে। উচ্ছেদৰ সময়ত ৰাইজে সহযোগিতা আগবঢ়োৱাৰ কথা উল্লেখ কৰি আয়ুক্তগৰাকীয়ে কয় যে উচ্ছেদ শান্তিপূৰ্ণভাৱে চলি আছে আৰু কাইলৈৰ ভিতৰত সমগ্ৰ অঞ্চল বেদখলমুক্ত হ'ব। বাকী ৩০ শতাংশ বেদখলীকৃত ভূমি উচ্ছেদ কৰিবৰ বাবে প্ৰশাসনে ৫০খন এক্সকেভেটৰ আৰু সহস্ৰাধিক নিৰাপত্তাৰক্ষী নিয়োগ কৰিছে। উচ্ছেদৰ সময়ত কেইবাজনো উচ্ছেদিতই কান্দি কান্দি ভাগৰি পৰা দেখা যায় আৰু তেওঁলোকে কয়, আমাৰ থাকিবলৈ ঠাই নাই। কিন্তু আমাক থাকিবলৈ অকণমান মাটিৰ প্ৰয়োজন। উল্লেখ্য যে এই বেদখলীকৃত ভূমিত প্ৰায় ২, ০৭০টা কেঁচাঘৰ, ১৯২টা পকীঘৰ আছিল। তদুপৰি ৩টা মছজিদ, ২খন চৰকাৰী বিদ্যালয়, ৩খন জলজীৱন আঁচনি আছিল।

# সদনত দাখিল হ'ল বহুচৰ্চিত ছয় জনগোষ্ঠীৰ

মৰাণ, মটক আৰু অবিভক্ত গোৱালপাৰা জিলাৰ কোচ ৰাজবংশীসকলক অনুসূচিত জনজাতি (ভৈয়াম) ত অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত বিশেষভাৱে বিৰোধিতা কৰা হোৱা নাছিল। ডাঃ ৰণোজ পেগুৰ অধ্যক্ষতাত কেশৱ মহন্ত আৰু পীযূষ হাজৰিকাক লৈ গঠন হোৱা মন্ত্ৰীগোটে প্ৰস্তুত কৰা এই প্ৰতিবেদন বিধানসভাত দাখিলৰ পাছত পৰৱৰ্তী সময়ত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰা হ'ব। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ চূড়ান্ত সিদ্ধান্ত ল'ব কেন্দ্ৰীয় চৰকাৰে। সেয়েহে সদনত দাখিল কৰা প্ৰতিবেদনত মন্ত্ৰীগোটে এইক্ষেত্ৰত উল্লেখ কৰিছে যে বৰ্তমানৰ অনুসূচিত জনজাতিসমূহৰ পৰিচয়, অধিকাৰ, ৰাজনৈতিক প্ৰতিনিধিত্ব ৰক্ষাৰ লগতে ছয় জনগোষ্ঠীৰ দশকজোৰা আকাংক্ষা সমাধানৰ ক্ষেত্ৰত ৰাজ্যখন এতিয়া এক নিৰ্ণায়ক মুহূৰ্তত থিয় দিছে। এই প্ৰতিবেদনত প্ৰস্তাৱিত কাঠামো-সাংবিধানিক ব্যৱস্থা, ন্যায্য সংৰক্ষণৰ গাঁথনি, শক্তিশালী পৰীক্ষণ ব্যৱস্থা আৰু আলোচনাই স্থায়ী পথ মুকলি কৰিছে। অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ উভয়ৰে সামূহিক সদিচ্ছা, নিৰন্তৰ আলোচনা আৰু সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰিলে ন্যায্য আৰু সৰ্বাংগীণ সংকল্প লাভ কৰিব পৰা যাব বুলি চৰকাৰৰ বিশ্বাস। প্ৰতিবেদনত ছয় জনগোষ্ঠীক বিশেষাধিকাৰ দিয়া উচিত বুলিও পৰামৰ্শ প্ৰদান কৰিছে মন্ত্ৰীগোটে। প্ৰতিবেদনত উল্লেখ কৰিছে যে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সেই সম্প্ৰদায়সমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰা উচিত। ৰাজ্য চৰকাৰে তেওঁলোকৰ ভূমিৰ লগতে বৰ্তমানৰ জনজাতিৰ ভূমিৰ নিজ নিজ সম্প্ৰদায়ৰ বাহিৰে আন ব্যক্তিলৈ হস্তান্তৰ কৰাত বাধা দিব লাগে। ইয়াৰ বাবে আইন প্ৰণয়ন কৰিলে তেওঁলোকৰ ভূমি সুৰক্ষা আৰু ভৱিষ্যৎ সুৰক্ষিত কৰাত সহায়ক হ'ব। প্ৰতিবেদনত বৰ্তমানৰ জনজাতীয় জনগোষ্ঠীৰ লগতে ছয় জনগোষ্ঠীৰ ঐতিহ্য, ভাষা, সংস্কৃতি, ৰীতি-নীতি আৰু ধৰ্মীয় বিশ্বাস সংৰক্ষণ কৰাটো গুৰুত্বপূৰ্ণ বুলি অনুভৱ কৰাৰ কথা উল্লেখ কৰিছে। এই লক্ষ্যত উপনীত হ'বলৈ ৰাজ্য চৰকাৰৰ অধীনস্থ বিভাগে ৬টা সম্প্ৰদায়ক আৰ্থিক সাহায্য প্ৰদান কৰিব লাগে। প্ৰতিবেদনত অসমৰ অনুসূচিত জাতি-সম্প্ৰদায়সমূহ প্ৰচলিত আৰ্থ-ৰাজনৈতিক, অৰ্থনৈতিক, সংস্কৃতি আৰু শৈক্ষিক অধিকাৰসমূহৰ পৰা বঞ্চিত হৈ আছে। এইটোৱে ৰাজ্যখনৰ বৰ্তমানৰ আন্দোলনৰ মূল কাৰণ। জনগাঁথনিত আগ্ৰাসনৰ বাবে অসমৰ খিলঞ্জীয়া জনসাধাৰণে এক বৃহৎ ভাবুকিৰ সন্মুখীন হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত জনগোষ্ঠীয় লোকসকলে তেওঁলোকৰ মাটি আৰু সংস্কৃতি হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। মন্ত্ৰীগোটে প্ৰতিবেদনত উল্লেখ কৰা আন এক গুৰুত্বপূৰ্ণ পৰামৰ্শ হৈছে যে লোকসভাত সমষ্টিসমূহ স্থায়ীভাৱে সংৰক্ষিত কৰা। প্ৰতিবেদনত এই সন্দৰ্ভত উল্লেখ কৰিছে যে ষষ্ঠ অনুসূচীৰ অঞ্চলসমূহ সামৰি লোৱা লোকসভা সমষ্টিসমূহ সাংবিধানিক সংশোধনীৰ জৰিয়তে বৰ্তমানৰ জনজাতিৰ বাবে স্থায়ীভাৱে সংৰক্ষিত কৰা হওক, যাতে ভৱিষ্যতে সমষ্টিৰ সীমা নিৰ্ধাৰণৰ অনুশীলন যিয়েই নহওক কিয়, এই আসনসমূহ সংৰক্ষিত হৈ থাকে। জনগাঁথনিৰ পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি কোকৰাঝাৰ আৰু ডিফু লোকসভাৰ আসন ক্ৰমে এছটি (পি) আৰু এছটি (হিল্‌ছ)ৰ বাবে স্থায়ীভাৱে সংৰক্ষিত হ'ব লাগিব। এছটি শচভেলীগ্নৰ বাবে সদনত অতিৰিক্ত আসন সংৰক্ষিত হ'ব লাগে। কাৰণ ৰাজ্যত এতিয়া বৃহৎসংখ্যক লোকক অনুসূচিত জনজাতি হিচাপে স্বীকৃতি দিলে সংৰক্ষণৰ সংখ্যা স্বয়ংক্ৰিয়ভাৱে বৃদ্ধি হ'ব। প্ৰতিবেদনৰ আৰম্ভণিতে মন্ত্ৰীগোটে এই দিশটো স্পষ্ট কৰি দিছে যে অসম চৰকাৰে ভাৰত চৰকাৰক অনুৰোধ কৰিব যে অসমৰ অনুসূচিত জনজাতিসমূহৰ তিনিটা স্তৰৰ শ্ৰেণী বিভাজনৰ বিধিগত স্বীকৃতি প্ৰদান কৰিব লাগে। বৰ্তমানৰ জনজাতীয় জনগোষ্ঠীৰ অধিকাৰ আৰু বিশেষাধিকাৰত কোনো প্ৰভাৱ নপৰাকৈ ছয় জনগোষ্ঠীক অনুসূচিত জনজাতিৰ স্বীকৃতি দিয়া অসম বিধানসভাৰ প্ৰস্তাৱৰ লগত এই ব্যৱস্থা সামঞ্জস্যপূৰ্ণ হ'ব।

# ৰাজ্যৰ চাহ শ্ৰমিকক প্ৰদান কৰা হ'ল ভূমিৰ পট্টা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম বিধানসভাৰ অধিৱেশনত গৃহীত হ'ল দ্য আছাম ফিক্সেচন অৱ চিলিং অন লেণ্ড হ'ল্ডিংছ (এমেণ্ডমেণ্ট) বিধেয়ক। এই বিধেয়কৰ জৰিয়তে ৰাজ্যত তিনি লাখ ৩০ হাজাৰ চাহ শ্ৰমিকে দখল কৰি থকা মাটিতে লাভ কৰিব ভূমিৰ পট্টা। দীঘলীয়া বিতৰ্ক আৰু উত্তপ্ত পৰিস্থিতিৰ মাজতে চাহ শ্ৰমিকক মাটিৰ পট্টা দিয়াৰ বাবে বিধানসভাত উত্থাপন কৰা সংশোধনী আইন গৃহীত হোৱাৰ লগে লগে শাসকীয় দলৰ বিধায়কসকলে শ্ল'গান দি চৰকাৰখনৰ গুণানুকীৰ্তন কৰে। উল্লেখ্য যে ৰাজ্যৰ চাহ শ্ৰমিকসকলক ভূমিৰ পট্টা প্ৰদান কৰিব বুলি ইতিপূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণা অনুসৰিয়ে চাহ বাগিচাৰ শ্ৰমিকে লাভ কৰিলে ভূমিৰ পট্টা। বিধানসভাত উত্থাপিত এই বিধেয়কখন পাৰিত কৰাৰ পূৰ্বেই মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ঘোষণা- কংগ্ৰেছ চৰকাৰে বাগিচাৰ শ্ৰমিকসকলক দাসত্বৰ বান্ধোনত বান্ধি থৈছিল। বৰ্তমানৰ চৰকাৰে ২০০ বছৰৰ শ্ৰমৰ স্বীকৃতি দিলে শ্ৰমিকসকলক। কোনো চৰকাৰে পূৰ্বে এনে পদক্ষেপ ল'ব পৰা নাছিল। পূৰ্বৰ চৰকাৰৰ বাবে চাহ শ্ৰমিকসকল আছিল কেৱল ভোটবেংক। ৰাজহ মন্ত্ৰী কেশৱ মহন্তই বিধেয়কখন পাৰিতকৰণৰ বাবে সদনত বিধেয়খন উত্থাপনৰ পাছত হোৱা বিতৰ্কত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ ভাষণত কয়- ৰাজহ চিলিং এখন ঐতিহাসিক আইন। এই আইনখন অনাত কংগ্ৰেছ দলৰ যি অৰিহণা তাক কোনেও নাকচ কৰিব নোৱাৰে, নিশ্চিতভাৱে ইয়াক স্বীকৃতি দিব লাগিব। কিন্তু এই লেণ্ড চিলিং আইনখন প্ৰস্তুত কৰোঁতে কংগ্ৰেছ দলে পদে পদে চাহ বাগিচাৰ মালিকসকলৰ সুৰক্ষাৰ কথাটো চিন্তা কৰিছিল। যেতিয়া লেণ্ড চিলিং আইনখন অন হৈছিল, আইনখনৰ (দহ পৃষ্ঠাত চাওক)

# অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আৰু এখোজ আগুৱালে অসম আৰক্ষী



ৰঙিলী বাৰ্ত্তাসেৱা- এতিয়াৰে পৰা অপৰাধ কৰি সাৰি যাব নোৱাৰিব কোনো দাগী অপৰাধী। অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিঃানসন্মতভাৱে আৰু এখোজ আগুৱালে অসম আৰক্ষী। ক্ৰিমিনেল প্ৰচিডিউৰ আইডেণ্টিফিকেচন এক্ট-২০২২(Criminal Procedure Identification Act 2022)ৰ অধীনত ৰাজ্যৰ প্ৰতিখন জিলাত স্থাপন কৰা হৈছে মেজাৰমেণ্ট কালেকচন ইউনিট ( Measurement Collection Unit), চমুকৈ এমচিইউ। এম চি ইউ সন্দৰ্ভত শুকুৰবাৰে চিআইডিৰ বিশেষ সঞ্চালক প্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই কয় যে নতুন এই ব্যৱস্থাই ভুক্তভোগীসকলক শীঘ্ৰে ন্যায় প্ৰদান কৰাৰ লগতে আৰক্ষীৰ তদন্ত ব্যৱস্থাক এক নতুন গতি দিবলৈ সক্ষম হ'ব। তেওঁ কয় যে পূৰ্বতে কোনো অপৰাধীক গ্ৰেপ্তাৰ কৰাৰ পাছতে তেওঁৰ ফিংগাৰ প্ৰিণ্ট ৰখাৰ নিয়ম আছিল। কোনো (দহ পৃষ্ঠাত চাওক)

# দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে 'প্ৰেৰণা' আঁচনিৰ শুভাৰম্ভণি মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অন্তৰ্গত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু আদৰ্শ বিদ্যালয়ৰ চি বি এছ ইৰ দশম শ্ৰেণীৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থীৰ বাবে 'প্ৰেৰণা' নামৰ আঁচনিৰ শুভাৰম্ভ। শুকুৰবাৰে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰেৰণা আঁচনিখনৰ শুভাৰম্ভ কৰে। শিক্ষাৰ্থীসকলক অধ্যয়ন সামগ্ৰী, কিতাপ, পুষ্টিকৰ খাদ্য আদি ক্ৰয় কৰাৰ ক্ষেত্ৰত সহায়ৰ লগতে তেওঁলোকৰ আত্মবিশ্বাস, মানসিক স্বাস্থ্য-মনোবল বৃদ্ধি, দৰিদ্ৰ পৰিয়াল-গ্ৰামাঞ্চলৰ শিক্ষাৰ্থীৰ মাজত বিদ্যালয় ত্যাগৰ প্ৰৱণতা হ্ৰাস, হাইস্কুল তথা দশম শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত সামগ্ৰিকভাৱে উত্তীৰ্ণৰ হাৰ বৃদ্ধি, চৰকাৰী-প্ৰাদেশীকৃত-আদৰ্শ বিদ্যালয়সমূহত নামভৰ্তি বঢ়াৰ লক্ষ্যৰে ৰাজ্যত প্ৰথমবাৰৰ বাবে এই আঁচনিখন গ্ৰহণ কৰা হৈছে। এই আঁচনিখনৰ অধীনত ৪.৪০ লাখ শিক্ষাৰ্থীয়ে চলিত নৱেম্বৰৰ পৰা চাৰি মাহলৈ মাহিলি ৩০০ টকাকৈ জলপানি নিজ বেংক একাউণ্টযোগে লাভ কৰিব। 'প্ৰেৰণা'ৰ শুভাৰম্ভ কৰি অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নেতিবাচক চিন্তাই যাতে কেতিয়াও স্থান পাব নোৱাৰে তাৰ বাবে ৰাজ্য চৰকাৰে নতুন প্ৰজন্মক বিভিন্ন (দহ পৃষ্ঠাত চাওক)

# ছয় জনগোষ্ঠীৰ

বিধানসভাত প্ৰতিবেদন দাখিল কৰাৰ পূৰ্বেই কোকৰাঝাৰত পুনৰ ধৰ্ণা-প্ৰতিবাদী সমদল উলিয়ায়। কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পৰা জনজাতীয় ছাত্ৰ সমাজে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতাৰে বিশ্ববিদ্যালয়ৰ চৌহদৰ পৰা বিশাল প্ৰতিবাদী সমদল উলিয়ায়। উক্ত বিশাল প্ৰতিবাদী সমদলত কোকৰাঝাৰৰ বিভিন্ন মহাবিদ্যালয়, চিআইটি আদিৰ পৰা জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদী সমদলত অংশগ্ৰহণ কৰে। প্ৰতিবাদী সমদল চলাকালীন অৱস্থাত প্ৰতিবাদকাৰীসকলে হাগ্ৰামা মহিলাৰী হুঁচিয়াৰ, হাগ্ৰামা মহিলাৰী গ' বেক, বিশ্বজিৎ দৈমাৰী মুৰ্দাবাদ, প্ৰমোদ বড়ো গ' বেক, অসম চৰকাৰ হায় হায়, হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, ৰণোজ পেগু মুৰ্দাবাদ, ৰৌণগৌড়া নাৰ্জাৰী মুৰ্দাবাদ, উখাও গৌৰা ব্ৰহ্ম হুঁচিয়াৰ, গ' বেক, চৰণ বড়ো গ' বেক, ৰিহণ দৈমাৰী মুৰ্দাবাদ, চিচিটিঅ'এ জিন্দাবাদ, ট্ৰাইবেল ঐক্য জিন্দাবাদ, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বাতিল কৰক, উই ৱাণ্ট জাষ্টিচ, এণ্টি ট্ৰাইবেল হুঁচিয়াৰ, জৈ বড়ো হাৰিণী জৈ আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি বিটিচি সচিবালয়ৰ পিনে অগ্ৰসৰ হয়। প্ৰতিবাদকাৰীসকলে বিটিচি সচিবালয়ৰ প্ৰথম গেট বলপূৰ্বকভাৱে পাৰ হোৱাৰ পিছত বিটিচি সচিবালয়ৰ দ্বিতীয় গেটৰ পিনে অগ্ৰসৰ হয়। লগে লগে আৰক্ষী সষ্টম হৈ উঠে যদিও হাজাৰ হাজাৰ প্ৰতিবাদকাৰীয়ে আৰক্ষীৰ বাধা নেওচি বিটিচিৰ দ্বিতীয় গেট পাৰ হৈ বিটিচিৰ বিধান পৰিষদ (এছেম্বলী) ভৱনত উপস্থিত হয়। ইয়াৰ পিছতে ছাত্ৰ বিদ্ৰোহে ভয়ংকৰ ৰূপ ধাৰণ কৰি এফালৰ পৰা মহটিয়াই নিয়ে। বিটিচিৰ হৃদপিণ্ড স্বৰূপ বিটিচি বিধান পৰিষদীয় ভৱনত প্ৰৱেশ কৰি আচবাব, ফুলৰ টাব লণ্ডভণ্ড কৰাৰ লগতে চকী-মেজ ভাঙি-ছিঙি চুৰমাৰ কৰে। ইয়াতেই ক্ষান্ত নাথাকি প্ৰতিবাদকাৰীসকলে সদনৰ ভিতৰত প্ৰৱেশ কৰি বিস্তৰ ক্ষতিসাধন কৰে আৰু সদনৰ মাইক, টিভি, চেয়াৰ ভাঙি পেলায়। লক্ষণীয় যে জনজাতীয় ছাত্ৰ সমাজে সদনত লণ্ডভণ্ড কৰি পুনৰ সদনৰ সন্মুখত প্ৰতিবাদত নামি পৰে। প্ৰতিবাদকাৰীসকলে প্ৰতিবাদস্থলীত বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীৰ উপস্থিতি দাবী কৰে আৰু বিটিচিয়ে ছয় জনগোষ্ঠীৰ জনজাতিকৰণত আপত্তি নাই বুলি দিয়া 'এনঅ'চি' উঠাই লোৱাৰ দাবী জনায়। প্ৰতিবাদকাৰীসকলে ছয় জনগোষ্ঠীৰ জনজাতিকৰণত ঘোৰ বিৰোধিতা কৰি নিজ দাবীৰ সমৰ্থনত অটল হৈ প্ৰতিবাদ অব্যাহত ৰাখে। উত্তপ্ত হৈ থকা পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ পৰৱৰ্তী সময়ত আৰক্ষীৰ উচ্চপদস্থ বিষয়াৰ লগতে কমাণ্ডো বাহিনীও নিয়োগ কৰিব লগা হয়। অৱশেষত প্ৰতিবাদস্থলীত জিলা আয়ুক্ত মাচান্দা এম পাৰ্টিন, জিলা আৰক্ষী অধীক্ষক অক্ষত গাৰ্গকে ধৰি উচ্চপদস্থ বিষয়াসকল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। জিলা আয়ুক্তই প্ৰতিবাদী শিক্ষাৰ্থীসকলৰ দাবী সন্দৰ্ভত চৰকাৰক অৱগত কৰা হ'ব বুলি প্ৰতিবাদীসকলৰ সৈতে আলোচনাত মিলিত হৈ আশ্বাস দিয়াত প্ৰতিবাদী কাৰ্যসূচী স্থগিত ৰাখে। প্ৰতিবাদী ছাত্ৰ-ছাত্ৰীসকলে কোকৰাঝাৰ জিলাৰ আয়ুক্ত মাচান্দা এম পাৰ্টিনৰ জৰিয়তে অসম চৰকাৰে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰস্তাৱ বাতিল কৰাৰ দাবীত অসমৰ মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা আৰু বিটিচি চৰকাৰলৈ স্মাৰক-পত্ৰ প্ৰদান কৰে।

# এবিভিপি ৰাষ্ট্ৰীয় অধিবেশনৰ উদ্বোধনী অনুষ্ঠানত ইছ'ৰ পূৰ্ব অধ্যক্ষ এছ. সোমনাথ




ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৭১ সংখ্যক ৰাষ্ট্ৰীয় অধিৱেশন শুকুৰবাৰে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ প্ৰাক্তন অধ্যক্ষ ড° এছ সোমনাথে উদ্বোধন কৰে। ডেৰাডুন পেৰেড গ্ৰাউণ্ডত নিৰ্মাণৰ কৰা 'ভগৱান বীৰছা মুণ্ডা নগৰ'ৰ জেনেৰেল বিপিন ৰাৱাট প্ৰেক্ষাগৃহত অনুষ্ঠিত এই উদ্বোধনী অনুষ্ঠানত ড° এছ সোমনাথৰ সৈতে উপস্থিত থাকে এবিভিপিৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰীয় সভাপতি অধ্যাপক (ড°) ৰঘুৰাজ কিশোৰ তিৱাৰী, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ড° বীৰেন্দ্ৰ সিং সোলাংকি, এবিভিপিৰ ৰাষ্ট্ৰীয় সম্পাদক শ্ৰীমতী ক্ষমা শৰ্মা, এবিভিপি ৰাষ্ট্ৰীয় অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ অধ্যক্ষ তথা গ্ৰাফিক ইৰা বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি ড° কমল ঘনছালা, অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক ৰমেশ গাডিয়া, উত্তৰাখণ্ড এবিভিপিৰ ৰাজ্যিক সভাপতি ড° জে পি ভাট আৰু উত্তৰাখণ্ড এবিভিপিৰ (দহ পৃষ্ঠাত চাওক)

# গড়ভঙাত বিনামূলীয়া স্বাস্থ্য শিবিৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ বিৰুবাৰীস্থিত ৰামকৃষ্ণ মিচন আশ্ৰমৰ উদ্যোগত আৰু গড়ভঙা পাৰিজাত একাডেমীৰ সহযোগত গুৱাহাটীৰ সমীপৱৰ্তী বৃহত্তৰ গড়ভঙা অঞ্চলটোক সামৰি এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু স্বাস্থ্য সজাগতা শিবিৰৰ আয়োজন কৰা হয়। দুগৰাকী বিশেষজ্ঞ চিকিৎসকৰ উপস্থিতিৰে অনুষ্ঠিত হোৱা শিবিৰটোলৈ শিশু, যুৱা, বৃদ্ধ সমন্বিতে (নপৃষ্ঠাত চাওক)

# ভাৰতত হ'ব ২০৩০ চনৰ কমনৱেলথ গেমছ




ৰঙিলী বাৰ্ত্তাসেৱা- দুটা দশকৰ পাছত পুনৰ কমনৱেলথ গেমছ আয়োজন কৰিবলৈ সাজু হৈছে ভাৰত। ২০৩০ চনৰ কমনৱেলথ গেমছ ভাৰতত অনুষ্ঠিত হ'ব। কমনৱেলথ কমিটীয়ে আহমেদাবাদক ২০৩০ চনৰ কমনৱেলথ গেমছৰ আয়োজক চহৰ হিচাপে ঘোষণা কৰিছে। বুধবাৰে গ্লাছগ'ত অনুষ্ঠিত বাৰ্ষিক সাধাৰণ সভাত ৭৪খন সদস্য দেশে আহমেদাবাদক প্ৰতিযোগিতাখন আয়োজনৰ ক্ষেত্ৰত মোহৰ মাৰে। এই দায়িত্ব ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষাৰ হাতত অৰ্পণ কৰা হয়। (নপৃষ্ঠাত চাওক)

# ৩ ডিচেম্বৰত প্ৰদান কৰা হ'ব কনিষ্টবলৰ নিযুক্তি-পত্ৰঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ৩ ডিচেম্বৰত অসম আৰক্ষীৰ কনিষ্টবল, কমাণ্ডো, ইউবি, এছআইৰ পৰীক্ষাত উত্তীৰ্ণসকলক নিযুক্তি-পত্ৰ প্ৰদান কৰা হ'ব। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰিলে। যোৱা দীৰ্ঘদিন ধৰি কনিষ্টবল নিযুক্তিক লৈ চলি থকা উৎকণ্ঠাৰ অৱসান ঘটাই আজি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই কথা ঘোষণা কৰাৰ লগতে মেট্ৰিক পৰীক্ষাৰ্থীক দিবলগা ৩০০ টকা ২৮ নৱেম্বৰত মোকলাই দিব বুলিও ঘোষণা কৰে। উল্লেখ্য যে পূৰ্বে মুখ্যমন্ত্ৰীয়ে আগন্তুক মেট্ৰিক (নপৃষ্ঠাত চাওক)

# মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত প্ৰদেশ কংগ্ৰেছৰ যোগদান কাৰ্যসূচী



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ এখন বিশাল যোগদান সভা অনুষ্ঠিত হয়। এই যোগদান সভাত প্ৰাক্তন অগপ নেতা তথা অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ গণেশ কুটুমৰ পুত্ৰ ডাঃ শংকৰজ্যোতি কুটুম, অবড়ো সুৰক্ষা সমিতিৰ সভাপতি যোগেশ্বৰ কলিতাসহ বিজেপি, অগপ, ইউপিপিএলকে ধৰি একাধিক ৰাজনৈতিক দল আৰু জাতীয় সংগঠনৰ দুই শতাধিক নেতা-কৰ্মীয়ে আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰে। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সংবাদ মাধ্যম আৰু যোগাযোগ বিভাগৰ অধ্যক্ষ পৱন খেৰা, বিভাগটোৰ অসমৰ তত্বাৱধায়কৰ দায়িত্বত থকা চৰণ সিং চাপ্ৰা আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ উপস্থিতিত কংগ্ৰেছ দলত যোগ দিয়া প্ৰত্যেকেই অনাগত নিৰ্বাচনত দুৰ্নীতিপৰায়ণ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰক ওফৰাই পেলাবলৈ সংকল্প গ্ৰহণ কৰে। ওদালগুৰি জিলা বিজেপিৰ সদস্য খগেন চন্দ্ৰ বড়ো, ইউপিপিএলৰ কাৰ্যনিৰ্বাহক কমিটিৰ সদস্য বিৰখাং বড়ো, প্ৰতিষ্ঠাপক (নপৃষ্ঠাত চাওক)

# বিধানসভাত গৃহীত হ'ল বহুবিবাহ নিষিদ্ধকৰণৰ বিধেয়ক



ৰঙিলী বাৰ্ত্তাসেৱা- এক ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হ'ল অসম বিধানসভা। অসম বিধানসভাত গৃহীত হ'ল বহুবিবাহ প্ৰতিৰোধী বিধেয়ক। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সদনত বিধেয়কখন পাৰিত কৰি ৰাজ্যখনৰ মুছলমান মহিলাসকলৰ বাবে কঢ়িয়াই আনিলে এক সুখবৰ। এই বিধেয়কখন কেৱল মুছলমান সম্প্ৰদায়ৰ মাজতে আবদ্ধ নহ'ব। হিন্দু, খ্ৰীষ্টান সকলোৰে বাবে এই বিধেয়কখন প্ৰযোজ্য হ'ব। সদনত এই বিধেয়কখন অনুমোদনৰ বাবে উত্থাপন কৰাৰ পাছত দীৰ্ঘসময় ধৰি চলা বিতৰ্কৰ উত্তৰ দি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়- নাৰী সবলীকৰণৰ দিশটোক এই চৰকাৰখনে সদায় অগ্ৰাধিকাৰ দি আহিছে। অৰুণোদয় আঁচনিৰ জৰিয়তে পোনপ্ৰথমে চৰকাৰখনে নাৰীৰ স্বাভিমান বৰ্তাই ৰখাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। অৰুণোদয় আঁচনিৰ জৰিয়তে এগৰাকী নাৰীয়ে ঘৰখনত নিজৰ গুৰুত্ব তথা আত্মসন্মান বজাই ৰাখিবলৈ সক্ষম হৈছে। একেদৰে নিযুত মইনা আঁচনিৰ জৰিয়তে বাল্যবিবাহ প্ৰতিৰোধৰ ব্যৱস্থা লোৱা হৈছে। এই আঁচনিয়ে ৰাজ্যত বাল্যবিবাহ প্ৰায় বন্ধ কৰিবলৈ সক্ষম হৈছে। নাৰী সবলীকৰণত বাল্যবিবাহ ৰোধ, নিযুত মইনা আঁচনি, অৰুণোদয়, পঞ্চায়তত আসন সংৰক্ষণ, চাকৰিত আসন সংৰক্ষণৰ পিছত ইয়াৰ পিছৰ পৰ্যায় আছিল বহুবিবাহ প্ৰতিৰোধ। বিৰোধীৰ কেইবাগৰাকীও সদস্যই বিধেয়কখন কেৱল মুছলমান সম্প্ৰদায়ক লক্ষ্য কৰি কৰা হৈছে বুলি উল্লেখ কৰি চৰকাৰে ইয়াক লৈ ৰাজনীতি কৰা বুলিও অভিযোগ তোলে। ইয়াৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ মন্তব্য- নিশ্চিতভাৱে ইয়াক আমি ৰাজনীতিৰ বাবে কৰিছোঁ। কিন্তু এই ৰাজনীতি নিপীড়িত-নিষ্পেষিত সমাজখনৰ মহিলাৰ বাবে। মুছলমান সমাজৰ হৈ তথা ইছলামিক ৰীতি-নীতিক লৈ (নপৃষ্ঠাত চাওক)

# পুনৰ মুখ্যমন্ত্ৰী হ'লে ইউ চি চি আনিমঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- অসম বিধানসভাৰ অধিৱেশনত বহুবিবাহ প্ৰতিৰোধী আইন পাৰিত কৰাক লৈ হোৱা বিতৰ্কত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বিৰোধীক টাৰ্গেট কৰি কয়, মই পুনৰ মুখ্যমন্ত্ৰী হৈ উভতি আহিলে সদনত ইউচিচি (অভিন্ন দেৱানী বিধি) আনিম। বিৰোধীক উদ্দেশ্যি মুখ্যমন্ত্ৰীৰ মন্তব্য- মোক যিমান পাৰে ৰখাই লওক, যিয়ে যেনেকৈ পাৰে বাধা দিয়ক। কিন্তু ভুলতো মই মুখ্যমন্ত্ৰী হ'লে প্ৰথম অধিৱেশনতেই ইউচিচি আনিম। বিৰোধী বিধায়ক অখিল গগৈক কটাক্ষ কৰি সদনত মুখ্যমন্ত্ৰীয়ে কয়- মোক ৰখোৱাৰ বাবে অখিল গগৈৰ দায়িত্ব বাঢ়িল। আপোনালোকে আৰু কষ্ট কৰক আৰু চেষ্টা কৰক যাতে আপোনালোকে আমাক ৰখাব পাৰে আৰু যদি আমাক ৰখাব নোৱাৰে, মই প্ৰতিশ্ৰুতি দিলোঁ- অসমত ইউচিচি আনিম। অসমৰ মুখ্যমন্ত্ৰী হৈ যদি মই উভতি আহিব পাৰোঁ, ইউচিচি আনিমেই। আনহাতে অসমত ছোৱালীৰ বিবাহৰ বয়স ন্যূনতম ২১ বছৰ কৰা হ'ব বুলিও বিধানসভাত ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। বাল্যবিবাহ ৰোধ কৰাৰ লক্ষ্যৰে আৰু বিধানসভাত গৃহীত হোৱা বহুবিবাহ প্ৰতিৰোধী আইনৰ পাছত এইবাৰ চৰকাৰে যুৱতীৰ বিবাহৰ বয়স ২১ বছৰ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই ঘোষণা কৰি কয়- মোক যদি ভগৱানে শক্তি দিয়ে, অহাবাৰ মহিলাৰ (নপৃষ্ঠাত চাওক)

# মেধাৱী সন্তান সকলৰ চৰিত্ৰৰ অবক্ষয় হয় কিয় ?



নমিতা দাস, গুৱালকুছি শান্তিতোল

মেধা শব্দই বোধ শক্তি বা মানসিক ক্ষমতা বা দিপ্ত বুদ্ধি সম্পন্ন সন্তানক বুজাই। মেধা শক্তি সম্পন্ন সন্তান সকল সকলো ফালে আগবঢ়া। তেওঁলোকে যিকোনো বিষয় এটা অতি সোনকালে নিজৰ আয়ত্বলৈ আনিব পাৰে। সেয়ে প্ৰতিটো বিষয়তে তেওঁলোকৰ দখল থাকে। মেধাৱী শব্দই তেওঁলোক শিক্ষাৰ ক্ষেত্ৰত যঠেষ্ট আগবঢ়া আৰু বুদ্ধি মত্তা সম্পন্ন বুজায়। মেধাৱী সন্তান সকলে যথেষ্ট কষ্ট কৰিব পাৰে সেই কষ্টৰ বিনিময়ত তেওঁলোকে ভাল ফল লাভ কৰে। এই যে তেওঁলোকে ভাল ফলাফল দেখুৱাব পাৰিলে তেতিয়াই তেওঁলোক হৈ পৰে সকলোৰে পৰিচিত আৰু প্ৰিয়পাত্ৰ।

সকলোৰে সৰ্বগুণ সম্পন্ন নহয় কিছুমান বেয়া গুণো সকলোৰে গাত থাকে। সেই বেয়া গুনবোৰ যেতিয়া মেধাৱী সন্তানৰ গাত দেখোঁ আমি ভাবি আচৰিত হওঁ। কাৰণ শিক্ষাৰ লগতে তেওঁলোকে সকলো ফালে উদ্দমি আৰু সৎ হোৱাতো আমি কামনা কৰো। যিকোনো ভাল বা বেয়া কাম কৰিবলৈ মেধা শক্তিৰ প্ৰয়োজন। যিহেতু মেধাৱী সন্তান সকল শিক্ষাৰ ক্ষেত্ৰ খনতে নহয় বুদ্ধিমত্তা সম্পন্নও হয় সেয়েহে তেওঁলোকৰ কাম আৰু ব্যৱহাৰৰ লগতে কিছুমান বেয়া গুণ আমাৰ চকুত সহজে ধৰা নপৰে। যেতিয়াই আমি তেওঁলোকৰ বেয়া আচৰণ, বা কামবোৰ প্ৰত্যক্ষ কৰো আমি আচৰিত হওঁ এই কাৰণে কাৰণ আমাৰ মন মগজুত তেওঁলোকৰ বাবে এখন চিত্ৰ অংকণ কৰি থৈ দিওঁ। যেতিয়াই তেওঁলোকে অসামাজিক কামত লিপ্ত হোৱা যেন দেখো আমাৰ অন্তৰআত্মা কপি উঠে।

মেধাৱী সন্তান সকলে নিজৰ পাৰদৰ্শিতাৰ বাবে তেওঁলোকে ঘৰ খনৰ লগতে সামাজিক স্থিতি এটা গঢ়ি তোলে আৰু সেই সামাজিক স্থিতিটো অবক্ষয় নোহোৱাকৈ ৰাখিবলৈ তেওঁলোকেও যথেষ্ট ত্যাগ চিকাৰ কৰিব লগা হয়। যেতিয়া তেওঁলোকে সামাজিক স্থিতিৰ পৰা পিছলি পৰে বা আগৰদৰে ফলাফল দেখুৱাবলৈ নোৱাৰে তেওঁলোকৰ অবক্ষয় হয় তেতিয়াই মানসিক ভাবে ভাঙি পৰে। সেই সময়ত যদি ঘৰ খনৰ পৰাও কোনো সহযোগ নেপাই লগ সংগ বোৰৰ ওচৰতো তেওঁলোকে হিনমন্যতাত ভোগে আৰু তেতিয়াই কিছুমান নিচাযোক্ত দ্ৰব্যৰ প্ৰতি আসক্ত হয়। তেওঁলোকৰ চিন্তাই মানসিক শান্তিৰ অবক্ষয় ঘটাই তেতিয়াও কিছুমান হিংসাত্মক কাৰ্যৰ প্ৰতি আসক্ত হৈ পৰে। সংগ দোষৰ ফলতো তেওঁলোকৰ চৰিত্ৰৰ স্খলন হোৱা দেখা যায়। লগতে শিক্ষাৰ ক্ষেত্ৰত কেতিয়াবা তেওঁলোকৰ ফলাফল অবনমিত হোৱা বা অনাকাংক্ষিত ভাবে হোৱা ভাল ফলাফলৰ বাবেও বহুত সময়ত তেওঁলোকৰ চৰিত্ৰৰ অবক্ষয় হোৱা দেখা যায়। কোনো কোনো সময়ত অভিভাৱক সকলো জগৰীয়া হয় সন্তানৰ প্ৰতি যিমান মনোযোগ দিব লাগিছিল সেই সময়ত তেওঁলোকে মনোযোগ নিদি অধিক পৰিমানে সন্তানৰ হাতত টকা পইচা দি দায়িত্ব সামৰাৰ বাবেও সন্তানৰ চৰিত্ৰৰ অবক্ষয় হোৱা দেখা যায়। সামাজিক পৰিবেশেও সন্তানৰ চৰিত্ৰৰ অবক্ষয় কৰে।

ইয়াৰ মাজতে এইটো কথাও কব পাৰি যে মেধাৱী হ'লেই যে চৰিত্ৰৰ অবক্ষয় হ'ব সেইটো নহয় কিছুমান ভোটা বুদ্ধি সম্পন্ন ল'ৰা-ছোৱালীৰো চৰিত্ৰৰ অবক্ষয় হোৱা আমি দেখিবলৈ পাওঁ। প্ৰত্যেকটো মেধাৱী সন্তানৰ চৰিত্ৰ অবক্ষয় যেনেকৈ নহয় তেনেকৈ প্ৰত্যেক সন্তানৰ চিন্তা চৰ্চাও বেলেগ বেলেগ হয়। সন্তানৰ মানসিক স্থিতি, সামাজিক পৰিবেশ, আৰু অভিভাৱকৰ ভুমিকাৰ লগতে সন্তানৰ চৰিত্ৰ নিৰ্ভৰ কৰে বুলি মোৰ অনুভৱ হয়।

# Dr Naba J Borah: A Neuro-surgeon with a Golden Touch



Heramba Nath

(A profile of Dr Naba J Borah, Senior Consultant Neurosurgeon at Health City Hospital, Guwahati — a man whose healing hands and compassionate heart have redefined the art of medicine in Assam.)

In the intricate and demanding world of modern medicine, only a few individuals embody the rare combination of technical brilliance, human empathy, and ethical commitment. Their lives extend beyond the confines of operation theatres and lecture halls, touching hearts and transforming lives in ways that cannot be measured in accolades alone. Among these extraordinary figures stands Dr Naba J Borah, Senior Consultant Neurosurgeon at Health City Hospital, Guwahati, and formerly associated with GNRC Hospitals, Dispur. With more than two decades in medicine, and over fifteen years

Page No. 6

# হত্যা



শৈলেন কুমাৰ, মিৰ্জা

এদিন মোৰ হত্যা হ'ব
যিদিনা মোৰ মুখত
শুদ্ধ বাণীৰ সলনি জয়ধ্বনি হ'ব
সহায়ৰ বিনিময়ত লালসাই স্থান পাব
সেইদিনা মোৰ হত্যা হ'ব
যিদিনা কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ
আহিঁত নচলি, সহজলভ্য হ'ব সুলভ মুল্য
সমাজত অৰাজকতা,
নিচাহত উন্মত্ত নৱপ্ৰজন্ম
গুৰুগোসাই ক'ত হেৰাল
পুঁজিপতিৰ প্ৰৰোচনাত
কৰাল গ্ৰাসত আজিৰ সমাজ
সেইদিন যে নিচেই কাষত, হত্যা অনিবাৰ্য
খিলঞ্জীয়াৰ দাবী জাতি, মাটি আৰু ভেটি
আঁচনিত বিক্ৰী যায়, হেৰুৱালি মাতৃভূমি
সাম্প্ৰদায়িকতাৰ ৰাজনীতি,
নিজৰ মাজত ভেদাভেদ
কোন স্বদেশী, কোন বিদেশী ?
ভোটৰ অংক সৰ্বব্যাপী
হাতযোৰ কৰি বিলাই
চাউল, দালি আৰু চেনি
আত্মসন্মান যদি কৰা বিক্ৰী
ইতিহাসত থাকিব জানো সন্মান
বৰ অসমীয়া বুলি

# যুগ নায়ক



ৰাজলক্ষ্মী বৰঠাকুৰ

অন্ধকাৰৰ মাজত জ্বলি উঠে আশা,
তোমাৰ সুৰতে বাজে প্ৰাণৰ বাঁহী।
নিশ্বাসে নিশ্বাসে, হৃদয়ত জুই জ্বলে,
আমাৰ চিঞৰ, "We Want Justice !"
"We Want Justice !"
তোমাৰ সুৰেই দেখুৱাই পথ
হৃদয়ৰ ৰিমঝিম, আশা-প্ৰাণৰ ছন্দ,
সত্যৰ বতাহ বোৱাই, অন্ধকাৰ ভাঙে।
ন্যায় বিচাৰি আমি যাওঁ আগুৱাই,
শব্দ আৰু সুৰৰ আঁৰে আঁৰে ভাঙা অন্যায়।
অসমৰ আকাশত তুমি নক্ষত্ৰ,
ন্যায়ৰ জ্যোতি উদয় হব,
সঁচা সুৰেৰে সময়ে ক'ব,
তুমি চিৰন্তন,
নতুন পুৰুষৰ যুগ নায়ক।

## অণুগল্প

### ক্ষমা

যমুনা দুলু বৈশ্য, শুৱালকুছি




ৰঙীন সপোনে দীঘলীয়া কৰি তোলে- হেঁপাহৰে ৰঞ্জুয়ে বোৱাৰী হৈ এখন ঘৰ আৱৰি থাকে গোটেই পৰিয়ালটোকে।

মাকে শিকোৱা কথাষাৰ উপলব্ধি কৰে কৰ্মই আমাৰ ধৰ্ম, ক্ষমা হ'ল মহৎ গুণ সেই গুণৰ দ্বাৰাহে মানৱতাৰ পৰিচয় পোৱা যায়।

এই বিশ্ব ব্ৰহ্মাণ্ডৰ, সকলোৰে জীৱনত অবিৰত ভাবে চলি থাকে এই জীৱন যুদ্ধ।

### তন্ময়

খৰ্গেশ্বৰ বৰা, নগাঁও



লেফটেনেণ্ট প্ৰশান্তই ১২বছৰৰ মুৰত ঘৰলৈ আহি মাকক সেৱা জনাই সুধিলে -" মা ককা ক'ত আছে ?" মাকৰ চকুৰ পানী দেখি বুজিলে, ককা এই সংসাৰত নাই! থাকিল কেৱল প্ৰশান্তৰ পিঠিত হালোৱা এচাৰিৰ চাত কেইটা আৰু ককাৰ এষাৰ বাক্য-" ঐ অঘাইটং বংশৰ কুলাঙ্গাৰ!" কথাখিন ভাবি প্ৰশান্ত তন্ময় হৈ ৰ'ল ।

### নাৱৰীয়া

ৰীতা দেৱী, কাহিলীপাৰা



অৰুণিমা নীলভৰ প্ৰেমত প্ৰতাৰিত হৈ বৰলুইতত জঁপিয়াইছিল যদিও আজি তাইৰ বাল্য বন্ধু নাৱৰীয়া মানৱৰ সৈতে তাইৰ এখনি সুখৰ সংসাৰ।

### অভিপ্ৰায়

সম্প্ৰীতি কোঁৱৰ,এজিমালা, কেৰেলা



অজিও মাকৰ এটাই আক্ষেপ। তাৰ মুখখন নেদেখাকৈয়ে মানুহ জন গ'লগৈ।

মা, তুমি অলপ সোনকাল কৰা। সময়মতে বাছ নাপালে বহুত অসুবিধা হ'ব মোৰ।

ভিতৰত বিশাল আয়োজন। কেক কটাৰ পাছতে চলিল ফটো উঠাৰ পৰ্ব। মনতে ভগৱানক ধন্যবাদ এটাও দিলে। নিজৰ স্বাৰ্থৰ বাবে হ'লেও যে একেলগে ফটো উঠাৰ সৌভাগ্যকন হ'ল।

### প্ৰশান্তিৰ ছাঁ

ধীৰেন্দ্ৰ কুমাৰ নাথ, আগিয়া



"কৰ্মই ধৰ্ম"---- এই আপ্ত বাক্য শাৰী তাই হজম কৰিব নোৱাৰিছিল । সহ কৰ্মী সকলোৰ ঘৈণীয়েকহঁতৰ লাহবিলাসৰ জীৱনে তাইৰ ঈৰ্ষাৰ জুইকুৰা বঢ়াইছিল।

একমাত্ৰ অভিযন্তা পুতেকে গাঁওৰ ছোৱালী বোৱাৰীয়েক কৰি অনাত ক'লেঃ "বোৱাৰী, তোমাৰ দৰে ময়ো গাঁওৰে ছোৱালী। গতিকে, সুখে -দুখে ঘৰখন চম্ভালিবা আকৌ।"

# আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও



মৰমৰ অকণিহঁত, আমাৰ যদি ঘনাই অসুখ-বিসুখ হৈ থাকে তেতিয়া আমি কোৱা শুনো 'দেহৰৰোগ প্ৰতিৰোধ ক্ষমতা কম', সেয়ে অসুখ হৈ থাকে। যেতিয়া আমাৰ দেহত বীজাণু সোমাই, তেতিয়া আমাৰ শৰীৰে এই বীজাণুৰ বিৰুদ্ধে যুঁজিবলৈ শৰীৰৰ নিজৰ ৰোগ প্ৰতিৰোধ ক্ষমতা তন্ত্ৰই কিছুমান প্ৰতিৰোধী ৰাসায়নিক পদাৰ্থ সৃষ্টি কৰে অৰ্থাৎ এণ্টিবডি বা প্ৰতিদেহ গঠন কৰে। পুনৰ যদি বীজাণু শৰীৰত সোমাই, তাক কেনেকৈ প্ৰতিৰোধ কৰিব লাগিব আমাৰ দেহে সেইটো মনত ৰাখে। সাধাৰণতে প্ৰাণীৰ দেহ আক্ৰমণকাৰী পদাৰ্থসমূহ, যেনে - ভাইৰাছ, বেক্টেৰিয়া আদি বিভিন্ন ৰোগকাৰকবোৰ যদি সুস্থ মানুহৰ শৰীৰত সোমায়, তেন্তে শৰীৰে নিৰ্দিষ্ট ৰোগ প্ৰতিৰোধী বা এণ্টিবডি সৃষ্টি কৰি সেই বীজাণুৰ বিৰুদ্ধে যুঁজি সিঁহতক ধ্বংস কৰে। এণ্টিবডিসমূহ শৰীৰত থাকে, সেইবাবে আমাৰ শৰীৰে বীজাণুৰ পৰা হাত সাৰি থাকিব পাৰে। শৰীৰৰটো নিৰোগী হৈ থাকিবৰ বাবে আমাৰ দেহৰ প্ৰতিৰক্ষা ব্যৱস্থা বা ইমিউন চিষ্টেম শক্তিশালী হোৱা প্ৰয়োজন ।আমাৰ শৰীৰত দুইধৰণৰ প্ৰতিৰোধী কোষ বা এণ্টিবডি থাকে। সিহঁত হৈছে - বি লিম্ফ'ছাইট আৰু টি লিম্ফ'ছাইট ।দুয়ো প্ৰকাৰৰ লিম্ফ'ছাইট প্ৰাপ্তবয়স্ক প্ৰাণীৰ অস্থিমজ্জাত সৃষ্টি হয়। প্ৰতি মূহুৰ্ততে আমাৰ দেহত হাজাৰ হাজাৰ অণুজীৱ সোমাই আৰু আক্ৰমণ কৰিবলৈ বিচাৰি থাকে। অণুজীৱবোৰ আমাৰ দেহত সোমালে দেহৰ প্ৰতিৰক্ষা ব্যৱস্থাই এই অণুজীৱবোৰৰ আক্ৰমণৰ পৰা দেহক ৰক্ষা কৰে। এই অণুজীৱবোৰৰ আকৃতি বেলেগ বেলেগ। কিছুমান অণুজীৱৰ আকৃতি মানৱ কোষৰ আকৃতিৰ সৈতে একে। ফলস্বৰূপে শৰীৰৰ প্ৰতিৰোধী ব্যৱস্থাই নিজৰ কোষ আৰু আক্ৰমণকাৰী কোষ চিনাক্ত কৰি নিজক সুৰক্ষা প্ৰদান কৰিবলৈ কঠিন হৈ পৰে।তেনে অৱস্থাতে নিজৰ শৰীৰৰ কোষকে আক্ৰমণ কৰি স্বক্ষমৰোগ বা অট'ইমিউন ৰোগ সৃষ্টি কৰে। আমাৰ শৰীৰৰ কোনো অংগক যাতে ভুলক্ৰমে বীজাণুৱে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে শৰীৰৰ ৰোগ প্ৰতিৰোধ প্ৰণালীৰ 'সুৰক্ষা গাৰ্ড' চিনাক্ত কৰি উলিয়াই আমেৰিকাৰ চিয়াটলৰ ইনষ্টিটিউট অৱ চিষ্টেম বায়'ল'জিৰ মেৰি ই ব্ৰুংকো, আমেৰিকাৰ ফ্ৰেডছ ৰামছডেল আৰু জাপানৰ অচাকা বিশ্ববিদ্যালয়ৰ ছিমন ছাকাগুচিয়ে। মানৱ দেহৰ ৰোগ প্ৰতিৰোধ ব্যৱস্থাটোক কিদৰে নিয়ন্ত্ৰণত ৰাখিব পাৰি, কেনেকৈ দেহৰ ৰোগ প্ৰতিৰোধ ব্যৱস্থাটোৱে নিজৰ শৰীৰক আক্ৰমণ কৰাটো প্ৰতিৰোধ কৰিব পাৰে, সেই দিশতে বিজ্ঞানী কেইজনে গুৰুত্বপূৰ্ণ ৰেগুলেটৰী টি- কোষ উদ্ভাৱন কৰিছিল। টি- কোষবোৰে আন ৰোগ প্ৰতিৰোধী কোষক নিৰীক্ষণ কৰে আৰু নিজৰ শৰীৰৰ কোষবোৰক সুৰক্ষা প্ৰদান কৰে। এনে গৱেষণাৰ বাবে তিনিওগৰাকী বিজ্ঞানীলৈ ২০২৫ চনৰ চিকিৎসা বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে । তেওঁলোকৰএই পেৰিফেৰল ইমিনিউ টলৰেন্সৰ( শৰীৰৰ বাহিৰৰ অংশৰ ৰোগ প্ৰতিৰোধ প্ৰণালীৰ সহনশীলতাৰ) সৈতে জড়িত গৱেষণাই চিকিৎসা বিজ্ঞানৰ এক নতুন শাখা মুকলি কৰে।

# Dr Naba J Borah

of specialised neurosurgical experience, Dr Borah's journey is a testament not only to surgical mastery but also to profound devotion to humanity. For the people of Northeast India, having a neurosurgeon of his calibre represents both fortune and inspiration.

Born and nurtured in the culturally rich Nagaon district of Assam, Dr Borah grew up in a family where values such as discipline, integrity, and reverence for knowledge were deeply ingrained. His father, a respected administrative teacher, became the guiding beacon instilling clarity of purpose and ethical rigor, while his mother, a devoted homemaker, infused his upbringing with warmth, empathy, and humility. Throughout his formative years, she maintained a quiet, unwavering dedication to his education, health, and character, ensuring that he matured into a grounded, conscientious, and gentle human being. These early influences laid the foundation for the qualities that would later define him: honesty, diligence, empathy, and an unwavering commitment to serving humanity.

Even as a schoolchild, Dr Borah exhibited exceptional academic brilliance. Teachers observed in him a rare combination of intellectual curiosity, disciplined study habits, and an eagerness to explore knowledge beyond textbooks. While he received his early education in an Assamese-medium school until Class Ten—a factor some might perceive as a barrier to advanced learning—his subsequent academic achievements decisively proved otherwise.

***Next Issue***

জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

অসম চৰকাৰ

উচ্চ আৰু বিদ্যালয় শিক্ষা বিভাগ

JANASANYOG- 3232/25/30-Nov-25

# নিযুত মইনা ২.০ৰ

## চেক বিতৰণ

মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি



উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ **১০ লাখ** কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ



## জিলা অনুসৰি ছাত্ৰীৰ সংখ্যা

| জিলা | উচ্চ শিক্ষা | বিদ্যালয় শিক্ষা | এছ চি ই আৰ টি | মুঠ |
|---|---|---|---|---|
| কামৰূপ | ১০৯৭৫ | ১১৪৩৩ | ১৩ | ২২৪২১ |
| কামৰূপ (মহানগৰ) | ১৩১৬৩ | ৭৯০১ | ২০ | ২১০৮৪ |
| নগাঁও | ৯৬৩৩ | ৯৭৩৬ | ৭ | ১৯৩৭৬ |
| বৰপেটা | ৭২৭২ | ১১০৩১ | ৪৬ | ১৮৩৪৯ |
| কাছাৰ | ৬১০৭ | ১০৫৫৮ | ১৯ | ১৬৬৮৪ |
| ধুবুৰী | ৫৭৯২ | ১০১৮১ | - | ১৫৯৭৩ |
| লখিমপুৰ | ৬৬২২ | ৮৫৭৯ | ২৪ | ১৫২২৫ |
| ধেমাজি | ৫২৪৪ | ৭৬৫৬ | ১৪ | ১২৯১৪ |
| কোকৰাঝাৰ | ৬০৯২ | ৬৫৯৯ | ৪৭ | ১২৭৩৮ |
| ডিব্ৰুগড় | ৫৯৪২ | ৬৩২৩ | ৪৯ | ১২৩১৪ |
| গোৱালপাৰা | ৪৫৭৩ | ৭৪১১ | ৫৪ | ১২০৩৮ |
| মৰিগাঁও | ৪০৬৯ | ৭৮০১ | ১১৪ | ১১৯৮৪ |
| নলবাৰী | ৫৮৮৩ | ৫৯১৯ | ৪৭ | ১১৮৪৯ |
| গোলাঘাট | ৪৮৫৪ | ৬৬৭৬ | ৩৫ | ১১৫৬৫ |
| শোণিতপুৰ | ৫৪৭৩ | ৫৮১৬ | ৮৩ | ১১৩৭২ |
| যোৰহাট | ৫৫৫২ | ৫২৭২ | ৬৯ | ১০৮৯৩ |
| শ্ৰীভূমি | ৪৫৩১ | ৫৪৮৭ | ২৪ | ১০০৪২ |
| তিনিচুকীয়া | ৪০৩০ | ৫৭৭১ | - | ৯৮০১ |
| দৰং | ৪৫৪৪ | ৪৩৮০ | ৮ | ৮৯৩২ |
| শিৱসাগৰ | ৩৭১২ | ৪৪১৭ | - | ৮১২৯ |
| ওদালগুৰি | ৪২৪৫ | ৩৭২০ | - | ৭৯৬৫ |
| বঙাইগাঁও | ৩৭৯১ | ৩৯৪৩ | ৫৫ | ৭৭৮৯ |
| হোজাই | ৪২১১ | ৩৪৮২ | - | ৭৬৯৩ |
| বিশ্বনাথ | ২৭৪৪ | ৪৪৫৫ | ৩২ | ৭২৩১ |
| হাইলাকান্দি | ২৫৪৭ | ৪৩৫৪ | ২৪ | ৬৯২৫ |
| বাক্সা | ১৯১৭ | ৩৪৭১ | - | ৫৩৮৮ |
| বজালী | ২৯২৫ | ২২৬১ | - | ৫১৮৬ |
| তামুলপুৰ | ১২৭০ | ৩৩৩৪ | - | ৪৬০৪ |
| চিৰাং | ২৪৭১ | ২১২০ | - | ৪৫৯১ |
| চৰাইদেউ | ১৭০৬ | ২৭৮৫ | - | ৪৪৯১ |
| কাৰ্বি আংলং | ২১৭২ | ২২২৭ | ১৯ | ৪৪১৮ |
| দক্ষিণ শালমাৰা-মানকাচৰ | ১৮৬৯ | ১৮০২ | - | ৩৬৭১ |
| মাজুলী | ১৪৫৩ | ১৬১৫ | - | ৩০৬৮ |
| ডিমা হাছাও | ৯৯০ | ১৭২৫ | ৩২ | ২৭৪৭ |
| পশ্চিম কাৰ্বি আংলং | ১৬৩ | ৬৫২ | - | ৮১৫ |
| মুঠ | ১৫৮৫৩৭ | ১৯০৮৯৩ | ৮৩৫ | ৩৫০২৬৫ |

**২০২৪-২৫**
১.৬ লাখ ছাত্ৰীলৈ ১৩৩ কোটি টকা মুকলি

**২০২৫-২৬**
৩.৫ লাখ+ ছাত্ৰীলৈ নিযুত মইনা আঁচনিৰ সুবিধা

### সামাজিক ফলপ্ৰসূতা

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ প্ৰতিৰোধ তথা কিশোৰী অৱস্থাৰ মাতৃত্বৰ হাৰ হ্ৰাস
- আৰেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক বয়সৰ নোহোৱালৈকে কন্যাসকলৰ বিবাহ প্ৰতিৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

# আত্মহনন এক ব্যাধি



আয়শা ছিদ্দিকা(আছৰি), বাংলিপাৰা, বৰপেটা

মানুহ হ'ল সামাজিক প্ৰাণী। অকলে জীৱন যাপন কৰাতকৈ মানুহে সমজুৱা ৰূপে থাকি নিজক সুৰক্ষিত অনুভৱ কৰে। সমাজপাতি বসবাস কৰিবলৈ ল'লে কেতিয়াবা বহুতো অপ্ৰীতিকৰ পৰিস্থিতিৰ মুখাপেক্ষী হোৱাটো তেনেই সাধাৰণ এটা বিষয়। শান্তি বজাই ৰাখিবলৈ ইচ্ছাৰ বিৰুদ্ধে নিজক স্থিৰ ৰখাৰ প্ৰয়াস কৰিব লাগে। এয়াই নিয়ম এয়াই চলি আহিছে দিনৰ পিছত দিন যুগৰ পিছত যুগ।

সময়ৰ তাগিদাত কেতিয়াবা নিজৰ ইচ্ছাৰ বিৰুদ্ধে আত্মসংযম, আত্মত্যাগেৰে জীৱন আগবঢ়াব লগা হয়। সমাজৰ স্বাভাৱিক নিয়মৰ অংশ হিচাপে এইটো তেনেই স্বাভাৱিক। কিন্তু কেতিয়াবা এই সমাজৰ চাপে, মানসিক সংকটৰ ফলত কোনোবাই নিজৰ প্ৰাণৰ মায়া ত্যাগ কৰাৰ দৰে ভয়ংকৰ পথ বাচি লয়। এই সামান্য ত্যাগ আজি বিশ্বজুৰি এক গভীৰ সামাজিক আৰু মানসিক ব্যাধিৰ ৰূপ লৈছে। যাৰ নাম আত্মহনন বা আত্মহত্যা।

অসম তথা ভাৰতবৰ্ষত আত্মহনন এক গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে। প্ৰধানকৈ শিক্ষিত বেকাৰ, গৃহিণী, কিশোৰ-কিশোৰী, পৰীক্ষাৰ ফলত মানসিক চাপত থকা ছাত্ৰ-ছাত্ৰী তথা কৃষকৰ মাজত এই আত্মহত্যাৰ প্ৰৱণতা বেছি থকাটো পৰিলক্ষিত হৈছে।

অধিকাংশ আত্মহননৰ মূল কাৰণ হৈছে ডিপ্ৰেছন, চিন্তা, অবসাদ, বায়প'লাৰ ডিজঅৰ্ডাৰ আদি মনোবৈজ্ঞানিক ব্যাধি। মানসিক অসুস্থতা মানুহক জীৱনৰ প্ৰতি আগ্ৰহহীন কৰি তোলে। বিশেষকৈ কিশোৰ আৰু যুৱ প্ৰজন্মৰ ক্ষেত্ৰত পৰীক্ষা, প্ৰেম, বিয়া, কৰ্ম জীৱন আদিত সফল নোহোৱাৰ ফলত এক মানসিক অশান্তি ভুগে ই আত্মহননৰ কাৰণ হ'ব পাৰে। চাকৰিৰ অনিশ্চয়তা, দৰিদ্ৰতা, নিবনুৱা আদিৰ চিন্তাই বহু সময়ত আত্মহনন কৰি সমস্যাৰ পৰা নিজক মুক্ত কৰাৰ চিন্তা মন মগজুত চলি থাকে। কৃষকৰ মাজতো আত্মহত্যাৰ এটা ডাঙৰ অংশ উপযুক্ত মূল্য নোপোৱাৰ কাৰণত সংঘটিত হয়।

ইয়াৰ উপৰিও আত্মহননক 'বীৰত্ব' ৰূপে প্ৰদৰ্শন কৰা অভিনয় আৰু সামাজিক মাধ্যমৰ প্ৰভাৱত অনেকে আত্মহননৰ পথ বাচি লয়। আত্মহত্যাৰ ফলত এজন ব্যক্তিৰ জীৱন চক্ৰ স্থগিত হোৱাৰ লগতে সেই ব্যক্তি সম্পৰ্কীয় সকলোৰে জীৱনত এক গভীৰ প্ৰভাৱ পেলায়। পৰিয়ালৰ মানসিক অৱস্থা ভাঙি পৰে, বিশেষকৈ মাতৃ বা সন্তানৰ আত্মহননৰ ফলত এজন অভিভাৱক বা সন্তানৰ মনোবল ভাঙি পৰে। সামাজিক দিশৰ পৰা আত্মহনন জাতি তথা সমাজৰ মনোবল আৰু নিৰাপত্তাৰ ক্ষেত্ৰতো প্ৰভাৱ পেলায়।

বিদ্যালয়, মহাবিদ্যালয় তথা কৰ্মক্ষেত্ৰত নিয়মীয়া মানসিক পৰামৰ্শ (counseling) ব্যৱস্থা নিশ্চিত কৰা উচিত।

যিকোনো সমস্যা কিমানেই ডাঙৰ নহওঁক, সহানুভূতি, কথোপকথন আৰু সংগ প্ৰদান কৰি বহু আত্মহনন ৰোধ কৰিব পাৰি।

আত্মহনন সন্দৰ্ভত যিকোনো সংবাদ বা দৃশ্য দেখুৱাৰ ক্ষেত্ৰত প্ৰয়োগযোগ্য গাইডলাইন অনুসৰণ কৰিব লাগে।

সমভাৱৰ মানুহে

*(বাৰপৃষ্ঠাত চাওক)*

# এক অনামিকা কবিতা



চিমী বৰুৱা, মৰিগাঁও চৰাইবাঁহী

তোমাৰ কথা ভাবিলে, জানা,
শব্দবোৰ নিজে নিজে ফুল হৈ ফুটি উঠে-
নিশাৰ নীৰৱতাতো
এটা সুকোমল আলোকৰ দৰে।
মই নোহোৱাকৈওঁ থাকিব পাৰোঁ
যেতিয়া মনৰ গভীৰতাত
হালধীয়া তৰাংগৰ দৰে
তোমাৰ ছবি উঠি আছে।
বতাহত যেন
এটা নথকা গীত বাজি থকে,
যাক কেৱল মইহে শুনো
তোমাৰ স্মৃতিৰ সুৰত।
মই পথত চালোঁ-
মানুহৰ ভিৰে ভৰা ৰাস্তাটো
হঠাতে নিঃশব্দ হৈ যায়,
যেতিয়া মাথোঁ তোমাৰ নামটো
মনত উজলি উঠে।
তোমাৰ কথা ভাবিলে জানা,
সপোনবোৰেও সুহুৰি মেলে,
দূৰ আকাশখনো ওচৰলৈ নামি
মোৰ হাতত ধৰি লয়
এটা নিৰৱ কোমলতাত ।
এনেকৈয়ে,
তোমাৰ কথা ভাবি ভাবি
মই নিজেই হৈ পৰোঁ
এক অনামিকা কবিতা।

# "কবিতা হয় যদি হওঁক নহয় যদি নহওঁক".... বুলি কোৱা চুটিগল্পৰ জনক লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ বিষয়ে অকণমান অনুভৱ

অনামিকা (সংগীতা)কলিতা,
শুৱালকুছি



বিষয়বস্তু যথেষ্ট মনোগ্ৰাহী অকণমান লিখিবলৈ প্ৰয়াস কৰিলোঁ।

বিশিষ্ট সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা দেৱ মোৰেই নহয় সকলো অসমীয়াৰ প্ৰিয় লেখক আছিল। খুহুতীয়া সম্ৰাট নামেৰে পৰিচিত। সেই সময়ত অসমীয়া ৰক্ষণশীল সমাজত খুব নীতি নিয়ম নিৰ্ধাৰণ কৰা আছিল। যেনেকৈ তেনেকৈ কথা কোৱা বা হাঁহি ধেমালি দোষণীয় বুলি ভাবিছিল। গতিকে অসমীয়া সমাজখনক খুহুতীয়া ধেমালি কৰা এক নতুন ধাৰা ৰস তেখেতে আনিছিল নিজৰ লেখাৰ, জৰিয়তে। কৃপাবৰ বৰুৱা, বুঢ়ী আইৰ সাধু ইত্যাদি অন্যতম।

তেখেতে অসমীয়া ভাষা উন্নতি সাধনৰ কাৰণে যথেষ্ট কষ্ট কৰিছিল। জোনাকী যুগৰ ত্ৰিমূৰ্তি ভিতৰত তেওঁ অন্যতম। লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ জন্ম ১৮৬৪ চনৰ ১৪অক্টোবৰ আহঁত গুৰি নামে ঠাইত। দেউতাক এগৰাকী মুন্সিফ আছিল। ইংৰাজৰ অধীনত চাকৰি কৰিছিল। দেউতাকৰ কৰ্মসূত্ৰে নগাঁওৰ পৰা বৰপেটালৈ বদলি হৈছিল। তেতিয়াৰ দিনত যান- বাহন আৰু বাট পথৰ তেনেকৈ সুবিধা নাছিল। গতিকে নৌকাৰে পৰিয়ালৰ সৈ গৈ থাকোঁতে ৰাতি হোৱাত আহঁতগুৰি নামে ঠাইত নৌকা ৰখালে তাতেই লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হৈছিল। সেই দিনা পূৰ্ণিমাৰ ৰাতি লক্ষ্মীপূজা আছিল। সেই কাৰণে তেখেতৰ নাম লক্ষ্মীনাথ ৰাখিলে।

তেওঁৰ বৰপেটা, তেজপুৰ, কলিকতা ইত্যাদি ঠাইত নিজৰ শৈশৱ কৈশোৰ যৌৱন অতিবাহিত হয়। শিক্ষাৰ কাৰণে সেই ঠাইবোৰৰ বিশেষত্ব আছে।১৯৩৮ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যু হৈছিল। তেখেতৰ মৃত্যুত বৃহৎ অসমীয়া জাতিৰ অপূৰণীয় ক্ষতি অনুভৱ কৰিছিল এতিয়াও কৰে।

# গড়ভঙাত বিনামূলীয়া

এশজন পৰামৰ্শ গ্ৰহণকাৰী ব্যক্তিৰ আগমন ঘটে। শিবিৰত চিকিৎসা সম্পৰ্কীয় পৰামৰ্শৰ উপৰিও বিনামূলীয়া ঔষধৰ যোগান ধৰা হয়। ৰামকৃষ্ণ মিচনৰ তৰফৰ পৰা কল্যাণকামী আঁচনিৰ আধাৰত সকলোকে একোখনি বস্ত্ৰ, স্বাস্থ্যৰ প্ৰতি যত্নৰ প্ৰতীক স্বৰূপে একোটিকৈ টুথপেস্ট আৰু কিছু খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। শিবিৰ সুকলমে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত গড়ভঙা পাৰিজাত একাডেমীৰ সমন্বয়ক আৰু প্ৰধান শিক্ষক ক্ৰমে ধৰ্ম কান্ত কলিতা আৰু প্ৰকাশ শৰ্মাই সক্ৰিয় সহযোগ আগবঢ়ায়। শিবিৰৰ বাবে প্ৰয়োজনীয় আচবাব যোগান ধৰাৰ উপৰি বিদ্যালয়ৰ তৰফৰ পৰা শিবিৰলৈ আগমন ঘটা সকলো ব্যক্তিৰ বাবে দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা কৰা হয়। শিবিৰৰ অন্তত স্থানীয় লোক সকলৰ মাধ্যমত অঞ্চলটোৰ আৰ্থ-সামাজিক দিশৰ বুজ লোৱা হয়। শিবিৰটোৰ সফলতাত মিচনৰ কৰ্মকৰ্তা সকল অতি উৎসাহিত হয় আৰু ভৱিষ্যতে এনে শিবিৰ অঞ্চলটোত নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ বাবে গাঁওবাসীক আশ্বাস প্ৰদান কৰে।

# ভাৰতত হ'ব ২০৩০

কমনৱেলথ গেমছ ২০৩০ৰ আয়োজনৰ দায়িত্ব লাভ কৰাৰ পিছত ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি উষাই কয় যে কমনৱেলথ গেমছে দেখুওৱা আস্থাক লৈ আমি গভীৰভাৱে সন্মানিত হৈছোঁ। ২০৩০ চনৰ গেমছত কমনৱেলথ আন্দোলনৰ ১০০ বছৰীয়া জয়ন্তী উদযাপন কৰাই নহয়, অহা শতিকাৰ বাবেও ভেটি স্থাপন কৰা হ'ব। ইয়াৰ জৰিয়তে সকলো কমনৱেলথ জাতিৰ খেলুৱৈ, সম্প্ৰদায় আৰু সংস্কৃতিক এক মনোভাৱেৰে একত্ৰিত কৰা হ'ব। ইপিনে, কমনৱেলথ স্পৰ্টছৰ সভাপতি ড'নাল্ড ৰুকাৰে কয় যে তেওঁলোক আশাবাদী যে ২০৩০ চনত আহমেদাবাদে এই প্ৰতিযোগিতাখন অতি ভালদৰে আয়োজন কৰিব। ভাৰতৰ ক্ৰীড়া সংস্কৃতিৰ সৈতে জড়িত। ২০৩০ চন হ'ব কমনৱেলথৰ ১০০ বছৰ। ১৯৩০ চনত কানাডাত প্ৰথম কমনৱেলথ গেমছ আয়োজন কৰা হৈছিল। সেই সময়ত ইয়াৰ নাম আছিল ব্ৰিটিছ এম্পায়াৰ গেমছ। পিছলৈ ইয়াৰ নাম সলনি কৰি কমনৱেলথ গেমছ কৰা হয়। উল্লেখ্য যে ২০৩০ চনৰ কমনৱেলথ গেমছ আয়োজনৰ ক্ষেত্ৰত ভাৰতৰ মূল প্ৰতিদ্বন্দ্বী আছিল নাইজেৰিয়া। কিন্তু কমনৱেলথ কমিটীয়ে সিদ্ধান্ত লৈছে যে ২০৩৪ চনৰ প্ৰতিযোগিতাখন নাইজেৰিয়াত অনুষ্ঠিত হ'ব পাৰে। উল্লেখ্য যে ২০১০ চনত অন্তিমবাৰৰ বাবে দিল্লীত কমনৱেলথ গেমছ অনুষ্ঠিত হৈছিল। এই সন্দৰ্ভত কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী মনসুখ মাণ্ডবিয়াই কয়, "ভাৰতে শতবাৰ্ষিকী কমনৱেলথ গেমছ আয়োজন কৰাটো এক গৌৰৱৰ মুহূৰ্ত। এনে বৃহৎ ইভেণ্ট আয়োজন কৰিবলৈ ভাৰত সক্ষম আৰু ২০৪৭ চনৰ ভিতৰত শীৰ্ষ পাঁচখন ক্ৰীড়া ৰাষ্ট্ৰৰ ভিতৰত ভাৰতে স্থান লাভ কৰিব।"

# ৩ ডিচেম্বৰত প্ৰদান

পৰীক্ষাত অৱতীৰ্ণ হ'বলগা ৪ লাখ ২৫ হাজাৰ পৰীক্ষাৰ্থীক তিনি মাহৰ বাবে ৩০০ টকাকৈ দিয়াৰ কথা ঘোষণা কৰিছিল। যাতে পৰীক্ষাৰ্থীসকলে এই সময়ছোৱাত উক্ত ধনেৰে আৱশ্যকীয় পুথি-বহী বা অন্যান্য সঁজুলি ক্ৰয় কৰিব পাৰে। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীয়ে অহা ১২ ডিচেম্বৰত বিটিচিত অৰুণোদয় আঁচনি মুকলি হ'ব বুলিও ঘোষণা কৰে। উল্লেখ্য যে বিটিচিত অৰুণোদয় আঁচনি মুকলি কৰা হোৱা নাছিল। সদ্যসমাপ্ত বিটিচি নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই অৰুণোদয় আঁচনি অতি সোনকালে বিটিচিত আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। এই প্ৰতিশ্ৰুতি অনুসৰিয়েই ১২ ডিচেম্বৰত কোকৰাঝাৰত আনুষ্ঠানিকভাৱে অৰুণোদয় আঁচনি বিটিচিৰ বাবে মুকলি কৰিব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

# পুনৰ মুখ্যমন্ত্ৰী হ'লৈ

বিয়াৰ ন্যূনতম বয়স হ'ব ২১ বছৰ। ১৮ বছৰৰ পৰা বিবাহৰ বয়স ২১ বছৰলৈ বৃদ্ধি কৰা হ'ব। এই চৰকাৰখনৰ টাৰ্গেটত আছিল বহুবিবাহ প্ৰতিৰোধ আৰু বাল্যবিবাহ বন্ধ কৰা। এই দুয়োটাই হোৱাৰ পাছত যুৱতীৰ বিয়াৰ ন্যূনতম বয়স হ'ব ২১ বছৰ। অহা ১ জানুৱাৰীত অৰুণোদয়ৰ ধনৰ পৰিমাণ ৩ হাজাৰ টকাতকৈ বেছি কৰাৰ ইংগিত প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে বিধায়ক অখিল গগৈক উদ্দেশ্যি কয়- ৰ জানুৱাৰীত এইক্ষেত্ৰত কৰা হ'ব ঘোষণা। আপুনি নিশ্চিত থাকক, ১ জানুৱাৰীত মই যিটো গুলী ফুটাম আপুনি নিৰ্বাচনত উঠিব নে নাই চিন্তা কৰিব। মুখ্যমন্ত্ৰীয়ে অহা ফেব্ৰুৱাৰী মাহত বিধানসভাৰ অধিৱেশনত লাভ জেহাদৰ বিৰুদ্ধেও আইন আনিব বুলি মন্তব্য কৰে।

# মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত প্ৰদেশ

উপ-সভাপতি ৰাফেল দৈমাৰী, হৰিশিঙাৰ ইউপিপিএলৰ যুৱ নেতা ৰিংছাৰ বাগলাৰী, ইউপিপিএল নেতা কাতিৰাম বড়ো, ছাদিক আলী আৰু ফজিৰ আলীয়েও আনুষ্ঠানিকভাৱে কংগ্ৰেছ দলত যোগ দিয়ে। সভাখনত কেবাগৰাকী অধিবক্তা, সমাজ সংগঠক আৰু যুৱ সমাজকৰ্মীয়েও কংগ্ৰেছ দলত যোগ দিয়ে। এইসকলৰ ভিতৰত অন্যতম হৈছে অধিবক্তা শ্বাহ নৱাজ আৰু গোৰেশ্বৰৰ যুৱ সংগঠক কুলদীপ ৰাজবংশী। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা পৱন খেৰাই আজিৰ যোগদান সভাত যোগ দিয়া সকলোকে দললৈ স্বাগতম জনাই আৰু নিজৰ চমু ভাষণত নতুন উদ্যমেৰে দুৰ্নীতিপৰায়ণ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনৰ কবলৰ পৰা অসমৰ ৰাইজক মুক্তি দিয়াৰ হকে প্ৰতিগৰাকী কংগ্ৰেছ কৰ্মীকে কাম কৰিবলৈ আহ্বান জনায়। সভাখনত ভাষণ প্ৰদান কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কয় যে নিৰ্বাচনলৈ যিমানেই দিন চমু চাপিছে সিমানেই অসমত কংগ্ৰেছৰ শক্তি বৃদ্ধি হৈ গৈ আছে বাবে হিমন্ত বিশ্ব শৰ্মা শংকিত হৈ পৰিছে। "ছেপ্টেম্বৰ মাহৰ ১০ তাৰিখৰ পৰা প্ৰতিটো মাহৰ ১০ তাৰিখতে অসমৰ সকলোতে বিভিন্ন দল-সংগঠনৰ পৰা মানুহে কংগ্ৰেছত যোগ দি আছে। আজিৰ দৰে এনেকৈ ১০ তাৰিখৰ আগতেও যোগদান সভা পাতিবলগীয়া হৈছে। কংগ্ৰেছ দল আজি শক্তিশালী হৈ উঠিছে।"- গগৈয়ে কয়। কংগ্ৰেছত নতুনকৈ যোগ দিয়া প্ৰতিজন নেতা-কৰ্মীৰ সাহসী আৰু সময়োচিত সিদ্ধান্তৰ বাবে আৰু অসমৰ জনতাইয়ো সাহস পাব বুলিও কয় প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। আনহাতে, সভাখনত ভাষণ প্ৰদান কৰি প্ৰাক্তন সাংসদ ৰিপুণ বৰাই কয়, "মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে যোৱা ৫ বছৰত হিতাধিকাৰী সৃষ্টি কৰাৰ বাদে প্ৰকৃতাৰ্থত ৰাজ্যখনৰ উন্নতি হ'ব পৰা একো কৰা নাই। ঋণৰ উপৰি ঋণ লৈছে। নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ অসমখনক অৰ্থনৈতিকভাৱে বিধ্বস্ত কৰিছে।" তেওঁ আৰু কয় যে চাট জিপিটি, গ্ৰ'ক, জেমিনি আদি প্ৰতিটো এআইক ভাৰতৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী কোন বুলি সুধিলে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা বুলি উত্তৰ দিয়ে। হিমন্ত বিশ্ব শৰ্মাৰ এনে কাৰ্যত অসমবাসী লজ্জিত হ'বলগীয়া হৈছে বুলিও কয় বৰাই। তেওঁ আৰু কয় যে অতি নিৰ্লজ্জ, হাস্যকৰ, টুলুঙা মন্তব্যৰে মুখ্যমন্ত্ৰীৰ চকীখনৰ গৰিমা হ্ৰাস কৰা মুখ্যমন্ত্ৰী ইয়াৰ পূৰ্বে অসমৰ জনতাই কাকো দেখা নাছিল। আজিৰ এই যোগদান সভাখনত প্ৰাক্তন সাংসদ আৰ পি শৰ্মা, আব্দুল খালেক, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা, বিনন্দ শইকীয়াকে ধৰি কংগ্ৰেছ দলৰ কেবাগৰাকী জ্যেষ্ঠ নেতা উপস্থিত আছিল।

# বিধানসভাত গৃহীত হ'ল বহুবিবাহ

সৰৱ হৈ অহা লোকসকল হৈছে পুৰুষ। ৰাজ্যৰ ৩৫টা সমষ্টিত মুছলমান সমাজে কোন বিধায়ক জিকিব তাক নিৰ্ণয় কৰে। কিন্তু সদনে বহু বছৰ ধৰি মুছলমান মহিলাক বিধায়ক হিচাপে দেখা পোৱা নাই। বাল্যবিবাহ আৰু বহুবিবাহে অসমৰ মুছলমান সমাজৰ মহিলাসকলৰ মুখৰ পৰা, মহিলাসকলৰ হাতৰ পৰা জীয়াই থকাৰ ন্যূনতম অধিকাৰখিনিও কাঢ়ি লৈ গৈছে। ১২ বছৰ বয়সত ছোৱালী মাতৃ হৈছে। ৬০-৭০ বছৰীয়া ব্যক্তিয়ে মাতব্বৰ হোৱাৰ বাবেই ১৮-২০ বছৰৰ ছোৱালীক বিয়া কৰাই ট্ৰফী এটাৰ দৰে লৈ আহে। তেনেদৰে মানুহক প্ৰদৰ্শন কৰিছে। কাৰোবাৰ গোচৰ চলিলে তেওঁৰ ঘৰত ১৮-২০ বছৰীয়া ছোৱালী থাকিলে মাতব্বৰে বিচাৰ কৰি বিয়া কৰাই লৈ আহে। সেই নিষ্পেষিত সমাজত মাতৃসকলক আজি আমি আইনৰ দৃষ্টিৰে অধিকাৰ এটা দিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে হিন্দুও বহুবিবাহৰ পৰা মুক্ত নহয়। কোনোবাই যদি কয়- এই বিধেয়কখনৰ জৰিয়তে মুছলমান সমাজক টাৰ্গেট কৰা হৈছে, তেন্তে দ্বিধাহীনভাৱে ক'ম- আমাৰ হিন্দু সমাজতো বহুবিবাহ বিক্ষিপ্ত ৰূপত আছে। এই বহুবিবাহসমূহো বন্ধ কৰাৰ দায়িত্ব আমাৰ। আজি উত্থাপিত বিলখনত ক'তো উল্লেখ কৰা হোৱা নাই যে বহুবিবাহ মুছলমান লোকৰ মাজত বন্ধ হ'ব, বহুবিবাহ হিন্দু-খ্ৰীষ্টানৰ মাজতো বন্ধ হ'ব। বিধানসভাই অনুমোদন জনোৱা বহুবিবাহ প্ৰতিৰোধী বিধেয়কত ষষ্ঠ অনুসূচীৰ এলেকাত ই প্ৰযোজ্য নোহোৱা সন্দৰ্ভত বিৰোধীয়ে কৰা সমালোচনাৰ উত্তৰ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰি দিয়ে যে স্বায়ত্তশাসনৰ অৰ্থ উপলব্ধি কৰিব লাগিব আমি সকলোৱে। ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুসূচীয়ে আজি বিটিচিক প্ৰশাসনিক ক্ষমতাই নহয়, বিধায়িনী ক্ষমতাও প্ৰদান কৰিছে। সেয়েহে মই আশা কৰোঁ বিধানসভাই আজি বহুবিবাহ প্ৰতিৰোধী বিধেয়কত অনুমোদন জনোৱাৰ পিছত অনুৰূপ ধৰণে বিটিচি আৰু কাৰ্বি আংলং-ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদতো নিশ্চয় এনে এখন বিধেয়কত অনুমোদন দিব। কিন্তু জনজাতীয় লোকসকলৰ ওপৰত আমি কোনো আইন জাপি দিব নোৱাৰোঁ। জনজাতীয় এলেকাত পৰম্পৰাগত আইন প্ৰাচীন কালৰে পৰা চলি আহিছে। আজি ট্ৰাইবেল লোকসকলক আমি আইনৰ জৰিয়তে শিকোৱাৰ প্ৰয়োজন নাই। সেই লোকসকলে নিজস্ব চিন্তা-চৰ্চাৰে আগবাঢ়ি গৈছে। কিন্তু আজি জনজাতীয় লোকসকলৰ মাজত বহুবিবাহৰ পৰম্পৰা নাই। জনজাতীয় পৰম্পৰাক আমি যে সন্মান জনাওঁ তাৰ এক বাৰ্তা বিধানসভাই বাৰে বাৰে দিয়াৰ প্ৰয়োজন আছে। কিয়নো তেওঁলোকৰ ভূমি, তেওঁলোকৰ সংস্কৃতিৰ ওপৰত আজি আমি দদপাই আছোঁ। মুখ্যমন্ত্ৰী ড° শৰ্মাই বহুবিবাহ প্ৰতিৰোধী বিধেয়কৰ প্ৰসংগত কয়- ভাৰতৰ সংসদে শ্বৰিয়ৎ আইন-১৯৩৭ক স্বীকৃতি দি থৈছে। গতিকে হিন্দুসকলে বহুবিবাহ কৰিলে গ্ৰেপ্তাৰ হ'ব। কিন্তু মুছলমান লোক এজনে বহুবিবাহৰ বাবে গ্ৰেপ্তাৰ নহ'ব। শ্বৰিয়ৎ আইনে তেওঁক এই অধিকাৰ প্ৰদান কৰিছে। সেয়েহে শ্বৰিয়ৎ আইন থকাৰ পাছতো ৰাজ্যখনে বহুবিবাহ প্ৰতিৰোধী বিধেয়ক অনাৰ ক্ষেত্ৰত কিছু আইনী কাম আছে। এই দিশটোৰ প্ৰতি লক্ষ্য কৰিয়েই ২০২৩ চনৰ ১২ মে'ত ন্যায়াধীশ ৰুমী বৰফুকন, মহাধিবক্তা দেৱজিৎ শইকীয়া, অতিৰিক্ত মহাধিবক্তা নলীন কোহলি আৰু জ্যেষ্ঠ অধিবক্তা নেকিবুৰ জামানক লৈ এখন কমিটী গঠন কৰা হৈছে। এই কমিটীখনে বহুবিবাহ প্ৰতিৰোধী আইন সন্দৰ্ভত ৰাইজৰ পৰা মতামত গ্ৰহণ কৰিছিল। আচৰিত ধৰণে অসমৰ ইছলাম সমাজে এই আইনখনৰ প্ৰতি পূৰ্ণ সমৰ্থন দিছিল। বহুবিবাহক সমৰ্থন কৰি মাত্ৰ দুখন আবেদনহে কমিটীখনে লাভ কৰিছিল। আনসকলে আইনখনক সমৰ্থন কৰি বহুবিবাহ প্ৰতিৰোধৰ বাবে চৰকাৰৰ পদক্ষেপক ধন্যবাদ দিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই বিধেয়কখনৰ জটিলতাৰ এটা দিশ উল্লেখ কৰি কয়-এই বিধেয়কখন বিধানসভাত অনুমোদনৰ পাছত ৰাজ্যপালৰ ওচৰলৈ যোৱাৰ পৰিৱৰ্তে ৰাষ্ট্ৰপতিৰ ওচৰলৈ যাব। কিয়নো সংসদে শ্বৰিয়ৎ বিধেয়কত অনুমোদন জনোৱাৰ পাছত একেধৰণৰ বিধেয়ক এখন ৰাজ্যই গ্ৰহণ কৰিলে বিধেয়কখন ৰাষ্ট্ৰপতিয়েহে অনুমোদন দিব পাৰিব। উমৈহতীয়া সূচীত থকা যিকোনো বিষয়ত ৰাষ্ট্ৰপতিৰ অনুমোদনক্ৰমে ৰাজ্যই বিষয়টো নিজাকৈ প্ৰযোজ্য কৰিব পাৰে। মই আশা কৰিছোঁ দেশৰ ৰাষ্ট্ৰপতিয়ে এই বিধেয়কখনত নিশ্চিতভাৱে অনুমোদন দিব।

# ৰাজ্যৰ চাহ শ্ৰমিকক প্ৰদান

ধাৰা ৪ (২)ত উল্লেখ কৰা হৈছে যে বাগিচাৰ মালিকে চাহ খেতি কৰা মাটিখিনিক বাদ দি অধিক মাটি ৰাখিব নোৱাৰিব। এই নিয়মলৈ ঠিকে আছিল যদিও আইনখনত আন এটা শব্দ উল্লেখ কৰি চাহ বাগিচাৰ মালিকৰ স্বাৰ্থৰ বাবে স্পষ্ট কৰা হ'ল যে চাহ খেতিৰ উপৰি আন মাটি বেলেগ কামৰ বাবে আৰু শ্ৰমিকৰ বাবে ৰাখিব পাৰিব। ইয়াৰ জৰিয়তে চাহ বাগিচাৰ মালিকক অধিক মাটি ভোগ কৰাৰ অধিকাৰ প্ৰদান কৰা হ'ল এই চিলিং আইনৰ জৰিয়তে। যি সময়ত কংগ্ৰেছে হাজাৰ হাজাৰ কৃষকক মাটিৰ অধিকাৰ দিছিল, সেই সময়ত কংগ্ৰেছ দলক আটাইতকৈ বেছি ভোট দিয়া চাহ শ্ৰমিকসকলক মাটিৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ল। মুখ্যমন্ত্ৰীয়ে পুনৰ কয়- চাহ বাগিচাৰ শ্ৰমিকসকলক কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত সদায়ে মালিকৰ দিশেৰেহে চোৱা হৈছিল। কিন্তু এই চৰকাৰে ২০০ বছৰ পিছত মালিক আৰু শ্ৰমিকৰ সম্পৰ্কৰ ঠাইত এজন স্বাধীন দেশৰ নাগৰিকৰ দৰে চাহ শ্ৰমিকে সমান অধিকাৰ পাব লাগিব। মালিক আৰু শ্ৰমিকৰ পৰিভাষাৰ পৰিৱৰ্তে এই চৰকাৰে মালিকৰ এটা ভোট, শ্ৰমিকৰ এটা ভোট এই পৰিচয়েৰে চাহ শ্ৰমিকসকলক আগুৱাই নিয়া হ'ব। এটা ধাৰণা আছে যে চাহ শ্ৰমিকসকল ৰাজনৈতিকভাৱে শক্তিশালী হ'লে চাহ খেতি কৰা লোকৰ অভাৱ হ'ব। কিন্তু এয়া ভুল ধাৰণা। আজি শ্ৰমিকসকলৰ বুকুৰ পৰাই নেতা, চিকিৎসক, অভিযন্তাৰ জন্ম হৈছে। তাৰ মানে এয়া নুবুজায় যে চাহ শ্ৰমিকৰ পৰিয়ালত শিক্ষিত লোকৰ জন্ম হ'ব আৰু চাহ বাগিচাৰ পাত কোনে তুলিব? প্ৰয়োজন হ'লে এতিয়া চাহ বাগিচাৰ মালিকৰ সন্তানেও পাত তুলিব। পৰিৱেশ আৰু পৰিস্থিতি গণতন্ত্ৰই সলনি কৰে। সেই দাসত্ব শৃংখলৰ পৰা স্থায়ীভাৱে চাহ শ্ৰমিকক মুক্তি দিবলৈ এই ঐতিহাসিক বিধেয়কখন বিধানসভাত অনা হৈছে। উল্লেখ্য যে বিধানসভাত গৃহীত হোৱা দ্য আছাম ফিক্সেচন অব চিলিং অন লেণ্ড হ'ল্ডিংছ (এমেণ্ডমেন্ট) বিধেয়কৰ জৰিয়তে ৰাজ্যৰ ৮২৫ বাগিচাৰ ৩, ৩৩, ৪৮৬টা চাহ শ্ৰমিক পৰিয়ালে লাভ কৰিব ২, ১৮, ৫৫৩ বিঘা ভূমিৰ স্বত্ব। তদুপৰি আবণ্টিত ভূমি ২০ বছৰ পৰ্যন্ত কৰিব নোৱাৰিব বিক্ৰী। কেৱল উন্নয়নৰ বাবে প্ৰতিষ্ঠানিক ঋণ লাভৰ ক্ষেত্ৰত বন্ধক ৰখাৰহে অনুমতি লাভ কৰিব। ২০ বছৰ উকলি গ'লে কেৱল সংশ্লিষ্ট বাগিচাখনৰ মাজতহে ক্ৰয়- বিক্ৰয় কৰিব পাৰিব। আনহাতে পট্টাপ্ৰাপ্ত শ্ৰমিকে ঘৰ নিৰ্মাণৰ বাবে চৰকৰী সাহায্য লাভৰ বাবেও যোগ্য হ'ব। বিধেয়কখনৰ জৰিয়তে যোগ্য ব্যক্তিক চিনাক্তকৰণ-পট্টন প্ৰক্ৰিয়া তদাৰকী কৰিবলৈ প্ৰতিখন বাগিচা পৰ্যায়ত কমিটী গঠনৰ ব্যৱস্থাৰ কথা উল্লেখ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই বিধেয়কখন সন্দৰ্ভত পুনৰ কয়-প্ৰতিখন চাহ বাগিচাৰ শ্ৰমিকক এটা সময়ত যদি ২ লাখকৈও পুঁজি দিব পৰা যায় তেওঁলোকে বেংকৰ পৰা ঋণ লৈ একোটাকৈ ঘৰ নিৰ্মাণ কৰিব পৰিব। সেই দিশতো পৰৱৰ্তী সময়ত চৰকাৰে চিন্তা কৰিব। এই চৰকাৰখনে কনচালটেচন প্ৰচেছত বিশ্বাস কৰে। সেয়েহে এই বিধেয়কখন অনাৰ পূৰ্বে এচিএমএছ, চাহ জনজাতি ছাত্ৰ সন্থা, আশা, বিচিএমএছ, জাতীয় মহাসভা সকলোৰে সৈতে এই বিধেয়কখনৰ বিষয়ে আলোচনা কৰা হৈছিল। সেই আলোচনাৰ সিদ্ধান্তৰ ভিত্তিতে এই বিধেয়কখন আজি প্ৰস্তুত কৰা হৈছে। এই বিধেয়কখনত সেয়েহে একমাত্ৰ চৰকাৰৰ বক্তব্যয়েই নাই, আইনখনত শ্ৰমিকসকলৰ অৱদানো আছে। যোৱা ছমাহত চৰকাৰখনৰ যথেষ্ট কনচালটেচন, আলোচনাৰ মাজেৰে বিধেয়কখন আৰম্ভ কৰা হৈছিল। মই অসমৰ সকলো চাহ জনজাতি-আদিবাসী সমাজখনক আজিৰ এই ঐতিহাসিক মুহূৰ্তত অসম বিধানসভাৰ হৈ ধন্যবাদ-শুভকামনা যাচিছোঁ।

# দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে

ধৰণে প্ৰেৰণা যোগোৱাৰ প্ৰয়াস চলাই আহিছে। আজি শুভাৰম্ভ হোৱা আঁচনিখন এইক্ষেত্ৰত অন্যতম প্ৰভাৱী পদক্ষেপ। আৰ্থিক দুৰৱস্থা যাতে শিক্ষাগ্ৰহণত বাধা হ'ব নোৱাৰে, তাৰ বাবে ৰাজ্য চৰকাৰে নতুন শিক্ষানুষ্ঠান স্থাপন কৰি নৱপ্ৰজন্মক শিক্ষা লাভৰ সুবিধা দিয়াৰ সমান্তৰালভাৱে নতুন নতুন আঁচনিও গ্ৰহণ কৰিছে। ৰাজ্যৰ কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানটোত অসমৰ পৰিৱেশ ক্ৰমান্বয়ে সলনি হৈছে বুলি তেওঁ মন্তব্য কৰে। আঁচনিখনৰ উদ্দেশ্য ব্যাখ্যা কৰি মুখ্যমন্ত্ৰীয়ে কয়, আমি সকলোৱে জানো, অসমত বহু দুখীয়া ছাত্ৰ-ছাত্ৰী আছে, যিসকলে পৰীক্ষাৰ আগমুহূৰ্ত পুষ্টিকৰ খাদ্য খোৱাৰ বাবে আৰ্থিক পৰিৱেশ নাথাকে । কিতাপ এখন কিনিব খুজিলে, কাগজ-বহী কিনিব খুজিলে সুবিধা নাথাকে। আৰু কোনোবা এজন শিক্ষৰ ওচৰলৈ গৈ কিবা শিকিবলৈ ইচ্ছা থাকিলেও পৰিবহণ খৰচ নাথাকে। এই জালপানিটো পোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশেষকৈ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এটা আত্মবিশ্বাস আহিব যে নিশ্চিতভাৱে চৰকাৰে আমাক বিনামূলীয়া নামভৰ্তি, নিযুত মইনা আঁচনিও দিব আৰু এখন আত্মবিশ্বাসী অসমৰ অধিকাৰী হ'ম। অসমৰ শিক্ষাৰ্থী সমাজ উপকৃত হ'ব পৰাকৈ নৱম শ্ৰেণীৰ ছাত্ৰীসকলক চাইকেল প্ৰদান, বিনামূলীয়া নামভৰ্তি, কন্যা সন্তানৰ উচ্চ শিক্ষাগ্ৰহণৰ সুবিধাৰ্থে নিযুত মইনা আঁচনিৰ জৰিয়তে প্ৰতিমাহে এহেজাৰ টকাৰ পৰা ২, ৫০০ টকালৈকে ধনৰাশি দিয়াৰ দৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে। লগতে নৱম শ্ৰেণীৰ দৰে পঞ্চম শ্ৰেণীতো চাইকেল প্ৰদানৰ বিষয়ে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই পদক্ষেপে শিক্ষাৰ্থীসকলক শিক্ষাগ্ৰহণত যথেষ্ট সহায় কৰিব। নিজ ভাষণত জাতিৰ পিতা মহাত্মা গান্ধীৰ এটা উক্তিৰ উদ্ধৃতি দাঙি ধৰি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ভাষ্য- শিক্ষা হৈছে সমাজত সমতা অনাৰ এটা পথ। যেতিয়া শিক্ষাই সমতা অনা কথাটো এগৰাকী শিক্ষাৰ্থীয়ে বুজি পায়, তেতিয়া তেওঁৰ মনত আশাৰ বন্তিজ্বলে। সেই আশাৰ বন্তিগছি সমাজত যাতে জুলিব পাৰে আৰু নৱপ্ৰজন্মৰ প্ৰত্যেকে যাতে জীৱনত আশাৰ ৰেঙনি লাভ কৰে, তাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা কৰিছে। স্বচ্ছ প্ৰক্ৰিয়াৰে ডেৰ লাখ যুবক-যুৱতীক চাকৰি প্ৰদানৰ সমান্তৰালকৈ অসমত এক ঔদ্যোগিক পৰিৱেশ নিৰ্মাণৰ বাবেও পদক্ষেপ গ্ৰহণ কৰিছে ৰাজ্য চৰকাৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত হাইস্কুল আৰু আদৰ্শ বিদ্যালয়সমূহত অধ্যয়নৰত চিবিএছইৰ দশম শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাৰ্থীসকলক শুভেচ্ছা জ্ঞাপন কৰি পৰীক্ষাভীতিত আক্ৰান্ত নহ'বলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ কয় যে শিক্ষাৰ্থীসকলৰ বাবে পৰীক্ষা হৈছে জীৱনৰ পৰৱৰ্তী খোজলৈ আগুৱাই যোৱাৰ মাধ্যমহে। পৰীক্ষাৰ্থীসকলে এখন অধ্যয়নসূচী প্ৰস্তুত কৰি পাঠসমূহ নিয়মীয়াকৈ অধ্যয়ন কৰাটো জৰুৰী। এনে পৰিকল্পিত অধ্যায়ৰ পৰীক্ষাক লৈ সৃষ্টি হোৱা উদ্বিগ্নতাও যথেষ্ট হ্ৰাস কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'পৰীক্ষা পে' চৰ্চা' শীৰ্ষক অনুষ্ঠানটো চাবলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ দিলীপ শইকীয়া, বিজুলী কলিতা মেধি, শিক্ষা বিভাগৰ সচিব এছ এন চৌধুৰী, বিত্ত বিভাগৰ সচিব পিএন সন্তাজী, কামৰূপ (মহানগৰ) জিলাৰ আয়ুক্ত সুমিত সত্তাৱান, মাধ্যমিক শিক্ষা বিভাগৰ সঞ্চালক মমতা হোজাইকে ধৰি কেইবাজনো শীৰ্ষ বিষয়া আৰু বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

# আজি ৰাঁচীত ভাৰত

দৃষ্টি নিবদ্ধ থাকিব। এদিনীয়া মেচখনৰ পূৰ্বে সংবাদ মেল সম্বোধন কৰি টীম ইণ্ডিয়াৰ অধিনায়ক লোকেশ ৰাহুলে কয় যে টেষ্ট শৃংখলাটোত পৰাজয়ৰ পিছত এদিনীয়া শৃংখলাটো আমাৰ বাবে মৰণপণ যুঁজ হিচাপে বিবেচিত হৈছে। প্ৰথম এদিনীয়া মেচত বিজয় সাব্যস্ত কৰি আমি শৃংখলাটোত অভিযান আৰম্ভ কৰিব বিচাৰিছোঁ। সৰহসংখ্যক খেলুৱৈ নৰাগত যদিও বিৰাট কোহলি আৰু ৰোহিত শৰ্মাৰ উপস্থিতিয়ে দলটোৰ মনোবল যথেষ্টখিনি বৃদ্ধি কৰি তুলিব। আশা কৰিছোঁ ৰোহিত আৰু কোহলিয়ে দীঘলীয়া ইনিংছ খেলি শৃংখলাটো দখল কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইফালে, মূল একাদশত ঋষভ পন্টে স্থান লাভকৰাৰ সম্ভাৱনা নাই বুলি উল্লেখ কৰি অধিনায়ক ৰাহুলে লগতে কয় যে তেওঁ নিজেই উইকেটকীপৰৰ দায়িত্ব পালন কৰিব। গতিকে, পণ্টক কাইলৈ মেচখনৰ মূল একাদশত অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনা ক্ষীণ। ইফালে, ৭১২ দিনৰ অন্তত ভাৰতীয় এদিনীয়া দললৈ প্ৰত্যাৱৰ্তন কৰিব ৰুতুৰাজ গাইকোৱাডে। মূল একাদশত গাইকোৱাডে স্থান লাভ কৰাটো প্ৰায় নিশ্চিত বুলি উল্লেখ কৰি ৰাহুলে লগতে কয় যে যশপ্ৰীত বুমৰাহৰ অনুপস্থিতিৰ ফলত শৃংখলাটোত ভাৰতীয় দলটোৰ বলিং শক্তি কিছু পৰিমাণে হ্ৰাস পাব। বুমৰাহক শৃংখলাটোত বিশ্ৰাম দিয়া হৈছে। বুমৰাহৰ অনুপস্থিতিত অৰ্শদীপ সিং আৰু প্ৰসিদ্ধ কৃষ্ণই পেচ বলিওৰ দায়িত্ব চম্ভালিব।

# অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত

অপৰাধ হ'লে মিলাই চাব পৰা যায়। এতিয়া সেইটো আৰু অধিক বহল কৰা হৈছে। এম চি ইউৰ দ্বাৰা সৰ্বভাৰতীয় এটা ডাটা বেংক হ'ব। যিদৰে ফিংগাৰপ্ৰিণ্ট ৰখা হয়। ডি এন এ ডাটা বেংক তৈয়াৰ হ'ব। ক'ৰবাত অপৰাধ হ'লে আমি ডি এন এ ডাটা বেংকত ছাৰ্জ কৰিব পাৰিম। অপৰাধীক আমি ছাৰ্জ কৰিব পাৰিম। বৰ্তমানৰ ফিংগাৰপ্ৰিণ্ট ডাটাবেছৰ দৰেই এম চি ইউয়ে অপৰাধীৰ ৰেটিনা আৰু সম্পূৰ্ণ শৰীৰৰ ডাটা স্কেন কৰি কেন্দ্ৰীভূত ডিজিটেল ডাটাবেছত সংৰক্ষণ কৰিব। এই তথ্যসমূহ পিছত ভাৰতৰ যিকোনো ঠাইৰ পৰা লাভ কৰিব পৰা যায়। যাৰ ফলত আৰক্ষীয়ে যিকোনো অপৰাধমূলক গোচৰৰ সৈতে জড়িত তথ্যসমূহ দ্ৰুতভাৱে ক্ৰচ্-চেক কৰিব পাৰে। এম চি ইউত সংযুক্ত চফ্টৱেৰে অপৰাধৰ সৈতে জড়িত অপৰাধীসকলৰ তৎক্ষণাত পৰীক্ষণ সক্ষম কৰে। যাৰ ফলত তদন্ত যথেষ্ট ক্ষিপ্ৰ হ'ব। অসমৰ সকলো জিলা সদৰত এই ব্যৱস্থা ৰূপায়ণ কৰা হৈছে। তেওঁ লগতে কয়, গুৰুত্বপূৰ্ণ কথাটো হ'ল এম চি ইউয়ে মহিলা আৰু শিশুৰ বিৰুদ্ধে অপৰাধৰ সৈতে জড়িত অপৰাধীৰ ডি এন এ নমুনাও সংৰক্ষণ কৰিব। যাৰ ফলত সুৰক্ষা আৰু জবাবদিহিতা বৃদ্ধি পোৱাটো নিশ্চিত হ'ব। এই বৈজ্ঞানিক পদক্ষেপৰ জৰিয়তে অসম আৰক্ষীৰ লক্ষ্য হৈছে আইন প্ৰয়োগক শক্তিশালী কৰা আৰু কোনো পুনৰাবৃত্তিকাৰী অপৰাধীয়ে যাতে ন্যায়ৰ পৰা হাত সাৰিব নোৱাৰে।

# এবিভিপি ৰাষ্ট্ৰীয়

ৰাজ্যিক মন্ত্ৰী ঋষভ ৰাৱট। বিগত বছৰৰ প্ৰতিবেদন দাখিল কৰি এবিভিপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ড° বীৰেন্দ্ৰ সিং সোলাংকিয়ে কয় যে এই বছৰ এবিভিপিয়ে পূৰ্বৰ সকলো সদস্যপদৰ অভিলেখ অতিক্ৰম কৰি ৭, ৬৯৮, ৪৪৮ জন ছাত্ৰ-ছাত্ৰীক সদস্যতা কৰিবলৈ সক্ষম হয় যি এবিভিপিৰ ৭৭ বছৰীয়া সাংগঠনিক ইতিহাসত এই সংখ্যা সৰ্বাধিক। উদ্বোধনী অনুষ্ঠানৰ পিছত "যুৱ ভাৰতৰ আহ্বান" বিষয়ক বক্তৃতা আগবঢ়ায় এবিভিপিৰ ৰাষ্ট্ৰীয় সাংগঠনিক সম্পাদক আশীষ চৌহানে। ৭১ সংখ্যক এবিভিপি ৰাষ্ট্ৰীয় অধিৱেশনৰ উদ্বোধনী অধিৱেশনৰ মুখ্য অতিথি হিচাপে প্ৰখ্যাত মহাকাশ বিজ্ঞানী তথা ইছ'ৰোৰ প্ৰাক্তন অধ্যক্ষ ড° এছ সোমনাথে এই মহান অধিৱেশনৰ বাবে উপস্থিত থকি সকলো প্ৰতিনিধিলৈ শুভেচ্ছা জ্ঞাপন কৰি কয় যে, যিকোনো জাতিৰ উত্থান তেতিয়াহে সম্ভৱ যেতিয়া ইয়াৰ নৱ প্ৰজন্ম জ্ঞান, প্ৰযুক্তি, আৰু নিৰ্ভীক শক্তিৰে সজ্জিত হয়। অধিৱেশনত সকলো প্ৰতিনিধিক আদৰণি জনাই অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় সভাপতি অধ্যাপক ড° ৰঘুৰাজ কিশোৰ তিৱাৰীয়ে কয়,এবিভিপি হৈছে বিশ্বৰ সৰ্ববৃহৎ ছাত্ৰ সংগঠন, যি গৌৰৱ আমি সকলোৱে লাভ কৰিছোঁ। ভাৰতবৰ্ষৰ যুৱক-যুৱতীসকলক কৰ্তব্যৰ পথত আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষক সমাজে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে। এবিভিপিৰ পুনৰ নিৰ্বাচিত সাধাৰণ সম্পাদক বীৰেন্দ্ৰ সোলংকিয়ে কয়, এবিভিপিৰ কাৰ্যকৰ্তা সকলে ৰাষ্ট্ৰীয় ঐক্যৰ বাবে নিৰন্তৰ প্ৰচেষ্টা চলাই আছে। আজি ৭৭ বছৰ অতিক্ৰম কৰা এবিভিপি বহুমুখী বট বৃক্ষলৈ গঢ় লৈ উঠিছে। ১৯৪৯ চনত পঞ্জীয়ন হোৱাৰ বহু বছৰৰ আগতেই এই যাত্ৰা আৰম্ভ হৈছিল, স্বাধীনতাৰ যুঁজত নিজকে বলিদান দিয়া সেই অমৰ শ্বহীদসকলৰ দৃষ্টিভংগীৰে। এবিভিপি প্ৰতিষ্ঠা হ'ল। সেই দৃষ্টিভংগীৰে, আৰু এবিভিপিৰ কিৰ্যকৰ্তা ইয়াক আগুৱাই নিয়াৰ বাবে কাম কৰি আহিছে, এবিভিপিৰ কাৰ্যকৰ্তা বিভিন্ন অভিযান আৰু কাৰ্যসূচীৰ জৰিয়তে সমাজখনক ইতিবাচক দিশ দিবলৈ কাম কৰি আহিছে।

# ENGLISH NEWS SECTION

## Renaming of "Raj Bhavan" as "Lok Bhavan"

Guwahati, RB News: In pursuance of the suggestion of the Governors' Conference held in 2024 and the consequent communique from the Ministry of Home Affairs vide Memo No.7/10/2025 (Part)-M&G dated 25/11/2025 wherein it has been requested for renaming the Offices of The Governors of States as 'Lok Bhavan' instead of 'Raj Bhavan', it had been decided that, The Office of The Governor shall be referred to as “Lok Bhavan” and The Office of The Lieutenant Governor as “Lok Niwas.” “Raj Bhavan Assam” is renamed and shall henceforth be referred to as “Lok Bhavan, Assam”.

## Faf du Plessis opts out of IPL auction



RB News: Former South African skipper Faf du Plessis has chosen not to participate in the 2026 edition of the Indian Premier League (IPL) and has decided not to put his name in the auction pool, with the event set to take place next month. "This year, I've chosen to take on a new challenge and will be playing in the upcoming PSL season. It's an exciting step for me," the 41-year-old said. Du Plessis represented CSK, RPS, RCB and DC in IPL.

## India squad for Under-19 Asia Cup announced




RB News: The BCCI on Friday announced a 15-member India U19 squad for the upcoming ACC Men's U19 Asia Cup, to be held in Dubai from December 12 to 21. Batter Ayush Mhatre has been named as the captain of the side, with the likes of Vaibhav Suryavanshi, Yuvraj Gohil, and Vedant Trivedi included in the squad as well. Vihaan Malhotra has been named as the vice captain of the side.

## Deepti Sharma becomes joint second-most expensive player in WPL history



RB News: India’s star all-rounder Deepti Sharma has become the joint second-most expensive player in WPL history. She was initially bought by Delhi Capitals (DC) at WPL 2026 mega auction for her base price of 50 lakh, however, her previous franchise UP Warriorz (UPW) used right-to-match (RTM) option. DC then raised the price to 3.2 crore and UPW secured her by using RTM again.

## India slip below Pakistan on WTC points table



RB News: India have fallen below Pakistan in the latest ICC World Test Championship (WTC) 2025-27 points tableafter South Africa completed a 2-0 whitewash in the Freedom trophy.India are now placed fifth with 48.15% of points won, while Pakistan have moved to the fourth position with 50% of points won. South Africa are second with 75% of points won.

## 18-year-old Ayush Mhatre breaks Rohit's world record



RB News: Mumbai's Ayush Mhatre has set a new record as the youngest cricketer to score centuries in all three formats of professional cricket - first-class, List A and T20 at 18 years and 135 days. He achieved this milestone with a remarkable 49-ball century in the Syed Mushtaq Ali Trophy match against Vidarbha at Lucknow's Ekana Stadium.Mhatre broke the previous record held by Rohit Sharma, who accomplished this feat at 19 years and 339 days.

## Delhi Capitals Signs Laura Wolvaardt at 1.1 Crore



RB News: South Africa skipper Laura Wolvaardt has been acquired by Delhi Capitals for 1.10 crore in Women's Premier League (WPL) auction. Wolvaardt, who had represented Gujarat Giants in WPL, had a base price of ?30 lakh. Notably, Wolvaardt who led South Africa to 2025 Women's World Cup final, was the highest run-scorer in the tournament with 571 runs in nine matches.

## Australia captain Alyssa Healy unsold in WPL 2026 auction



RB News: The 2026 Women's Premier League (WPL) mega-auction began on Thursday with 276 players listed to go under the hammer. The event opened with a surprise when Australia Women captain Alyssa Healy went unsold. She was the first player in the auction, with a base pric of Rs 50 lakh, but none of the five franchises placed a bid. Healy, the Australian captain, recently suffered a calf injury during the women's World Cup, which caused her to miss league matches against England and South Africa. She has also dealt with a finger injury in the past.She was bought for INR 70 lakh by UP Warriorz in 2023.

## '120 Bahadur' grants tax-free status in Delhi: CM Rekha Gupta



RB News: Delhi CM Rekha Gupta granted tax-free status to the '120 Bahadur' movie in Delhi from November 28. The film honours 120 soldiers of Charlie Company, 13 Kumaon Regiment, who fought at the battle of Rezang La during the 1962 Sino-Indian War. She said the film showcased inspiring leadership and the supreme sacrifice of Major Shaitan Singh Bhati. She added, “As a special mark of respect to the valiant soldiers, the Delhi Government has decided to grant tax-free status to the film in Delhi from 28th Nov".

# আত্মহনন এক ব্যাধি

সৈতে সংলাপ আৰু সাহাৰ্য্য কৰা লোকৰ বাবে এক প্ৰাকৃতিক থেৰাপি হিচাপে কাম কৰে।

আত্মহত্যা কোনো সমস্যাৰ সমাধান নহয়। ই এক পৰাজয়, এক ক্ষত, যিয়ে জীৱন, প্ৰেম আনন্দ সকলো চিৰদিনৰ বাবে স্তম্ভিত কৰি দিয়ে। আত্মহননৰ পথ এৰি এক আলোচনাৰ মাধ্যমত সমস্যাৰ সমাধান বিচাৰিব লাগে, আৰু পৰিয়াল হওক কিংবা সমাজ এনেকৈ গঢ়িব লাগে যাতে সকলোৱে নিৰ্ভয়ে নিজৰ মনৰ কথা, নিজৰ সমস্যাৰ কথা ক'ব পাৰে। আৰু মানসিকভাবে বিধ্বস্ত ব্যক্তিজনে নিজক শেষ কৰি দিয়াৰ এই অমানৱীয় চিন্তাৰ পৰা নিজক মুক্ত কৰিব পাৰে। কোনো বাবে কোনো এজন ব্যক্তিৰ আত্মহত্যা কৰাৰ চিন্তা মনলৈ অহাটো পৰিয়াল, সমাজ সমানে দায়ী। কিয়নো আমাৰ পৰিয়াল বা সমাজৰ নীয়ম নীতি ইমান কঠোৰ যে নিজৰ সমস্যাৰ কথা নিজৰ দুৰ্বলতাৰ কথা পৰিয়াল, সমাজৰ আগত ব্যক্ত কৰিলে সমাধানৰ পৰিৱৰ্তে কটু কথা শুনাবলৈ হে সাজু হৈ থাকে।

হ'ব পাৰে জীৱনটো সমস্যাৰে জৰ্জৰিত, হ'ব সকলো দিশত পাৰ্গত নহয়, হ'ব পাৰে উন্নতিৰ শিখৰত যোৱাটো সম্ভৱ হোৱা নাই কিন্তু চেষ্টা কৰিলে নিশ্চয় সেই স্থান দখল কৰা সম্ভৱ। সেইবুলি আত্মহত্যাৰ দৰে এনে এটা অমানৱীয় কামৰ সিধান্ত লোৱাটো উচিত নহয। বেলেগ কোনো নহলেও নিজৰ লগত নিজে কথা পাতিব লাগে, নিজক সময় দিব লাগে। মনৰ সকলো সকলো অনুভূতি, অনুভৱ, অনুৰাগ, অভিমান সকলো ডায়েৰী এটাত লিখিব লগে অৰ্থাৎ ডায়েৰী লিখাৰ অভ্যাস কৰিব লাগে। তেতিয়া মনত খোপনি পুতি থকা অচিন্তাবোৰ মগজুত ইমান প্ৰভাৱ পেলাব নোৱাৰে। জীৱনত সমস্যা যিয়েই নহওঁক কিয় তাৰ নিশ্চয় কোনো এটা সমাধান থাকিব আত্মহত্যা কেতিয়াও সমাধান হ'ব নোৱাৰে।

আমাৰ জীৱনটো বৰ অমূল্য ইয়াক নিজৰ অনিয়ন্ত্ৰিত আবেগৰ বশত নষ্ট কৰাটো নিশ্চয় কোনো বুদ্ধিমানৰ কাম নহয়। এনে কামক সকলোৱে সদায় নিন্দা কৰি আহিছে।

সেয়ে আত্মহত্যাৰ দৰে এনে নিন্দাজনক কামৰ চিন্তাৰ পৰা নিজক আঁতৰাই সুস্থ সবল মনৰ ব্যক্তিত্বৰ অধিকাৰী ৰূপে গঢ়াৰ যত্ন কৰা উচিত।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286